# ৪.০ চতুৰ্থ অধ্যায়
# শৰণীয়া-কছাৰীসকলৰ ভৌতিক-সংস্কৃতি

## ৪.১ সংস্কৃতি ঃ

সংস্কৃতি হৈছে কোনো এটা জাতিৰ জাতীয় জীৱনৰ পৰিচায়ক। সংস্কৃতি অবিহনে কোনো জাতিয়ে নিজৰ পৰিচয় সময়ৰ বালিত থৈ যাবলৈ সক্ষম নহয়। সংস্কৃতিৰ মাজেৰেই জাতিটোৱে বিশ্ব দৰবাৰত নিজৰ অস্তিত্ব জীয়াই ৰাখিবলৈ সক্ষম হয়। কোনো এটা জাতিয়ে পৰম্পৰাগতভাৱে পালন কৰি অহা কিছুমান ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ধ্যান- ধাৰণা, সাজ-পোছাক, আ-অলংকাৰ, লোক ৰন্ধন প্ৰণালী ইত্যাদিৰ সমন্বয়ে হৈছে সংস্কৃতি ।

" সমাজৰ অংগীভূত সদস্যৰূপে মানৱে আহৰণ কৰা জ্ঞান, বিশ্বাস, কলা,
ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, আইন-কানুন, নৈতিকতা,
অভ্যাস আৰু অন্যান্য সামাজিক সামৰ্থৰ সামগ্ৰিক যৌগিক ৰূপেই সংস্কৃতি।" [৬৩]

সংস্কৃতিয়ে সদায় সংস্কাৰধৰ্মী কৰ্মক বুজায়। যি কৰ্মৰ মাজত সংস্কাৰ আছে তাতেই সংস্কৃতিও আছে। সংস্কাৰ আৰু সংস্কৃতি দুয়োটা শব্দই সংস্কৃত পদ সংস্কাৰৰ পৰা আহিছে। বিভিন্ন সংস্কাৰৰ মাধ্যমেৰে লোকজীৱনে লাভ কৰা উৎকৰ্ষই হৈছে সংস্কৃতি। সেই হিচাপে সংস্কৃতিক পৰিশোধিত প্ৰক্ৰিয়া বুলি কব পাৰি। "মানুহে জন্ম লাভ কৰে অসামাজিক (un social) ৰূপে আৰু সংস্কাৰৰ মাধ্যমত লাভ কৰে সামাজিকতা।" [৬৪]

জাতি-জনগোষ্ঠীভেদে সংস্কৃতি ভিন্ন হোৱাৰ দৰে গুণ, লক্ষণ, বৈশিষ্ট্য আদি অনুসৰিও সংস্কৃতি যেনেদৰে ভিন্ন হোৱা দেখা যায়। বৈশিষ্ট্য অনুসৰি সংস্কৃতিক অভিজাত-সংস্কৃতি, লোক-সংস্কৃতি আৰু জনজাতীয়-সংস্কৃতিত যেনেদৰে ভাগ কৰিব পাৰি ঠিক তেনেদৰে লোক-সংস্কৃতিকো বিষয়বস্তু অনুসৰি

---

৬৩। শৰ্মা, নবীন চন্দ্ৰ ঃ *অসমীয়া লোক সংস্কৃতিৰ আভাস*, পৃ. ২৭

৬৪। শৰ্মা, নবীন চন্দ্ৰ ঃ *অসমীয়া লোক সংস্কৃতিৰ আভাস*, পৃ. ৪৫

মৌখিক-সাহিত্য, ভৌতিক-সংস্কৃতি, সামাজিক-লোকাচাৰ আৰু লোক-কলা এইকেইটা ভাগত ভগাব পাৰি।

### ৪.১.১ ভৌতিক-সংস্কৃতি ঃ

লোক-সংস্কৃতিৰে অন্তৰ্গত এটি অন্যতম বিভাগ হৈছে ভৌতিক-সংস্কৃতি। ভৌতিক-সংস্কৃতি হৈছে মূৰ্ত্ত-সংস্কৃতি। বাহ্যিকভাবে পোৱা প্ৰতিটো বস্তুৱেই হৈছে ভৌতিক-সংস্কৃতি। সেয়ে ইয়াক বস্তু- সংস্কৃতি বুলিও ক'ব পাৰি।

> "ভৌতিক-সংস্কৃতিৰ পৰিসীমাত প্ৰাত্যাহিক জীৱনৰ প্ৰয়োজনীয় ভৌতিক বস্তুবোৰ সামৰিব পাৰি। বাচন-বৰ্তন, ঘৰ-দুৱাৰ, অয়-অলংকাৰ, স্থপতি-বিদ্যা, ৰন্ধন-প্ৰণালী, চিত্ৰকলা আদিক ভৌতিক- সংস্কৃতি বুলিব পাৰি।" [৬৫]

ভৌতিক-সংস্কৃতিসমূহ মানুহৰ দ্বাৰা সৃষ্টি হোৱা অৰ্থাৎ ঘৰ-দুৱাৰ, আ-অলংকাৰ, ৰন্ধন-প্ৰকৰণ আদি সকলো মানুহৰ দ্বাৰা হোৱা প্ৰত্যক্ষ সৃষ্টি। প্ৰকৃতিৰ পৰা পোৱা উপাদানসমূহকো মানুহেই নিজৰ প্ৰয়োজনত সজাই লয়। সেয়েহে ভৌতিক-সংস্কৃতিক 'physical act' বুলিও ক'ব পাৰি।

বিষয়বস্তুৰ লক্ষণ বা বৈশিষ্ট্য অনুসৰি ভৌতিক-সংস্কৃতিক প্ৰধানত ৫ টা ভাগত ভগাব পাৰি।

১) লোক-শিল্প (Folk Crafts)

২) লোক-কলা (Folk art)

৩) লোকস্থপতি-কলা (Folk architecture)

৪) লোক-আভৰণ (Folk Costume)

৫) লোক-ৰন্ধন প্ৰণালী (Folk Cookery)।" [৬৬]

তলত প্ৰতিটো বিভাগৰ বিষয়ে চমুকৈ আলোচনা কৰাৰ চেষ্টা কৰা হ'ল -

### ৪.১.১.১ লোক-শিল্প ঃ

ভৌতিক-সংস্কৃতিৰ অন্যতম উপবিভাগ হৈছে লোক-শিল্প। কোনো এটা জাতিৰ জীৱন-শৈলীৰ

---

৬৫। শৰ্মা, নবীন চন্দ্ৰ ঃ *উক্ত গ্ৰন্থ*, পৃ. ৪০

৬৬। শৰ্মা, নবীন চন্দ্ৰ ঃ *উক্ত গ্ৰন্থ*, পৃ. ২০

এটি অন্যতম নিদৰ্শন হৈছে লোক-শিল্প। লোক-শিল্পৰ মাজেৰে সেই জাতিটোৰ জনসাধাৰণৰ বিভিন্ন ৰুচি- অভিৰুচি, আৰ্থিক অৱস্থা, সামাজিক মান আৰু কলাসুলভ মনৰ পৰিচয় পোৱা যায়।

"গাঁৱলীয়া জীৱনৰ সুকুমাৰ কলা-প্ৰীতিৰ পৰিচয় ফুটি ওলাই হস্ত-শিল্প আৰু লোক-শিল্পত।" [৬৭] প্ৰাত্যহিক জীৱনৰ প্ৰয়োজনতে অকল লোক-শিল্পসমূহৰ প্ৰয়োজন নহয়। লোক-শিল্পসমূহৰ প্ৰয়োজনীয়তা সুদূৰ প্ৰসাৰী। প্ৰাত্যহিক জীৱনৰ উপৰিও ধৰ্মীয় বিভিন্ন অনুষ্ঠানসমূহতো লোকশিল্পসমূহৰ প্ৰয়োজনীয়তা অধিক।

আলোচনাৰ সুবিধাৰ্থে শৰণীয়া-কছাৰীসকলৰ মাজত প্ৰচলিত লোক-শিল্পসমূহক বিভিন্ন বিভাগত ভাগ কৰি দেখুৱাব পাৰি। সেইবোৰ হ'ল -

১) মৃৎ-শিল্প

২) জন্তু-শিল্প

৩) বয়ন-শিল্প

৪) তেলপেৰা-শিল্প

৫) কুঁহিয়াৰপেৰা-শিল্প

৬) ৰন্ধন-শিল্প

৭) বাঁহবেতৰ-শিল্প

শৰণীয়া-কছাৰীসকলৰ জীৱনতো লোক-শিল্পৰ প্ৰাধান্য তথা প্ৰয়োজনীয়তা অধিক। অৱশ্যে লোক-শিল্পসমূহৰ প্ৰতিটো দিশতে শৰণীয়া-কছাৰীসকলৰ হাতৰ পৰশ সমানভাবে দেখা নাযায়। বিশেষকৈ সোণাৰি-শিল্প, ধাতুৰ-শিল্প, চিত্ৰ-শিল্প আদিত শৰণীয়া-কছাৰীসকলৰ প্ৰভাৱ নাই বুলিয়েই ক'ব পাৰি। আনহাতে বাঁহবেতৰ-শিল্প, মৃৎ-শিল্প, বয়ন-শিল্প, ৰন্ধন-শিল্প আদিত তেওঁলোকৰ বলিষ্ঠ হাতৰ বুলনি দেখা যায়।

## ৪.১.১.১.১ মৃৎ-শিল্প ঃ

মাটিৰে তৈয়াৰী বিভিন্ন কাৰুকাৰ্য খচিত, মসৃন সা-সঁজুলিসমূহেই হৈছে মৃৎ-শিল্প। মৃৎ- শিল্পসমূহত শিল্পীসকলৰ নিমজ হাতৰ পৰশ দেখা যায়। শৰণীয়া-কছাৰীসকলৰ মাজত মাটিৰে বনোৱা বিভিন্ন সা-

৬৭। বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ *অসমৰ লোকসংস্কৃতি*, পৃ. ১৮৬

সঁজুলিৰ পৰিমান সীমিত। মাটিৰে নিৰ্মিত সজুলিৰ ভিতৰত বিহুৰ সময়ত প্ৰয়োজন হোৱা সুতুলী বিহুৱা দলবোৰে নিজে বনায়। ইয়াৰ উপৰিও মাটিৰ কলহ, চাকি, ধুনাদানি, ধূপদানি আদিৰ ব্যৱহাৰো তেওঁলোকৰ মাজত দেখা যায়। মাটিৰে নিৰ্মিত বিভিন্ন সামগ্ৰী শৰণীয়া-কছাৰীসকলৰ বিভিন্ন ধৰ্মীয় আৰু সামাজিক অনুষ্ঠানত ব্যৱহৃত হয়।

**৪.১.১.১.২ জন্তু-শিল্প ঃ**

জন্তু-শিল্প মানে হৈছে বিভিন্ন জন্তুৰ বিভিন্ন অংগ-প্ৰত্যংগৰ জৰিয়তে নানা ধৰণৰ কাৰুকাৰ্য খচিত সা-সঁজুলি বনোৱা। শৰণীয়া সমাজতো গাহৰি, হৰিণা, কেটেলা পহু আদি বিভিন্ন জন্তুৰ অংগৰ পৰা সা-সজুলি বনায়। গাহৰিৰ দাঁত সৰু ল'ৰা-ছোৱালীক ভূত-প্ৰেতৰ পৰা ৰক্ষা কৰিবলৈ ককালত মাদেলী হিচাপে ৰচীৰ লগত পিন্ধাই দিয়ে। ডাঙৰ সকলে বিশেষকৈ পুৰুষসকলে গাহৰিৰ দাঁত ডিঙিত মালা কৰি পিন্ধে। সেইদৰে হৰিণাৰ শিঙেৰে কটাৰীৰ নাল কৰা হয়। তদুপৰি হৰিণাৰ শিং আভিজাত্যৰ চিন হিচাপে বহুতো লোকে চ'ৰা-ঘৰত সজাই থয়। বিভিন্ন লোক-বিশ্বাসৰ আধাৰত বহুতো লোকে হাতীৰ দাঁত ভঁৰাল ঘৰতো থৈ দিয়া দেখা যায়। বনগৰু বা য়াকৰ নোম বাঁহ গোসাঁই থকা ঘৰত চোঁৰৰ হিচাপে ৰাখে। চোঁৰৰ বাঁহ গোসাঁই উৎসৱত একেবাৰে অপৰিহাৰ্য। কেটেলা পহুৰ কাঁইট শিপিনীসকলে ব' তোলা সময়ত আৰু মহুৰা ফুৰোৱাৰ সময়ত ব্যৱহাৰ কৰে। ইয়াৰ উপৰিও গুই সাপৰ ছাল দোতোৰা, চেৰেঙা আদিত ব্যৱহাৰ কৰা হয়। খমাক বাদ্য-যন্ত্ৰতো গুই সাপৰ ছাল ব্যৱহাৰ কৰা হয়।

**৪.১.১.১.৩ বয়ন-শিল্প ঃ**

বয়ন শিল্পৰ ক্ষেত্ৰত শৰণীয়া-কছাৰীসকল বহুত আগবঢ়া। শৰণীয়া-কছাৰীসকলৰ মহিলাসকলে বিভিন্ন ধৰণৰ নিত্য প্ৰয়োজনীয় সাজ-পোছাক ঘৰতে তৈয়াৰ কৰি লয়। তেওঁলোকে কপাহ আৰু পাট সূতাৰ কাপোৰ বই উলিয়াইছিল। সেউজীয়া ৰঙটো তেওঁলোকৰ বৰ প্ৰিয়। সেউজীয়া ৰং ব্যৱহাৰ কৰি তেওঁলোকে বিভিন্ন ধৰণৰ চাঁদৰ -মেখেলা, ধুতি, মোকচ্‌া, গামোচা আদি বনায়। শৰণীয়া-কছাৰীৰ মহিলাসকলে চাঁদৰ-মেখেলাত বিভিন্ন ৰং-বিৰঙৰ ফুল বাছে। চৰাই, গছ-লতা, পখিলা, ভোমোৰা আদিও কাপোৰত বাছে। ধৰ্মীয় অনুষ্ঠানত ব্যৱহাৰ কৰা মোক্‌চাখনত তেওঁলোকে বাঁহ-গোসাঁইৰ প্ৰতীক থকা ফুল বাছে। ইয়ে তেওঁলোকৰ ৰুচিবোধৰ পৰিচয় দিয়াৰ লগতে কৌশলী মনৰ পৰিচয় দিয়ে। বয়ন-শিল্পৰ জৰিয়তে বহুতো শৰণীয়া মহিলাই স্বাৱলম্বী হোৱাৰো নিদৰ্শন আছে।

### ৪.১.১.১.৪ তেলপেৰা-শিল্প ঃ

তেলপেৰা-শিল্পইও এটা সময়ত শৰণীয়া-কছাৰীসকলৰ মাজত অধিক জনপ্ৰিয়তা লাভ কৰিছিল। নিজৰ প্ৰয়োজনীয় সৰিয়হৰ তেল তেলপেৰা শালত পেৰি খাইছিল। কিন্তু বৰ্তমানে এই শিল্পটোয়ে মৃত্যুৰ ক্ষণ গনি আছে। সহজলভ্যতাৰ প্ৰতি আকৰ্ষণ তথা সহায়কাৰী লোকৰ অভাবেই এই শিল্পটোক মৃত্যুৰ দুৱাৰদলিলৈ ঠেলি দিছে বুলি কব পাৰি।

### ৪.১.১.১.৫ কুঁহিয়াৰপেৰা-শিল্প ঃ

এটা সময়ত কুঁহিয়াৰপেৰা-শিল্প শৰণীয়া-কছাৰীসকলৰ ঘৰে ঘৰে আছিল। কিন্তু বৰ্তমানে এই শিল্পটোলৈও মৃত্যুৰ ভাবুকি আহিছে। বিভিন্ন পৰিবেশ-পৰিস্থিতিৰ কাৰণে এই শিল্পটো নোহোৱা হোৱাৰ উপক্ৰম হৈছে। শৰণীয়া-কছাৰীসকলৰ মাজত চেনীৰ ব্যৱহাৰ নিচেই কম। চেনীৰ সলনি তেওঁলোকে কুঁহিয়াৰৰ পৰা তৈয়াৰী গুৰৰ ব্যৱহাৰ কৰে। কুঁহিয়াৰৰ খেতি বৰ কষ্টকৰ। পৰিশ্ৰম কৰিব নোৱাৰিলে কুঁহিয়াৰ খেতি কৰাটো উচিত নহয়। কুঁহিয়াৰ কটাৰ পৰা আৰম্ভ কৰি কুঁহিয়াৰ চেপি থালিত উতলাই গুৰ নোহোৱালৈকে এক দীঘলীয়া প্ৰচেষ্টা আৰু এই প্ৰচেষ্টাত মানুহৰ সহযোগিতা অপৰিহাৰ্য। কিন্তু বৰ্তমান মানুহৰ অভাৱৰ কাৰণেই এই শিল্পটোৰ অৱস্থা তথৈবচ।

### ৪.১.১.১.৬ ৰন্ধন-শিল্প ঃ

ৰন্ধন-শিল্পত শৰণীয়া-কছাৰীসকল অতি আগবঢ়া। তেওঁলোকে প্ৰকৃতিত পোৱা বিভিন্ন উপাদানেৰে জুতি লগাকৈ বিভিন্ন ব্যঞ্জন বনায়। (বিশেষ দ্ৰষ্টব্য, প্ৰচ্ছদ নং ৪.১.১.৫ পৃ. ১৩১)

### ৪.১.১.১.৭ বাঁহবেতৰ-শিল্প ঃ

ঘৰৰ বিভিন্ন কাৰ্যত ব্যৱহাৰ হোৱা বিভিন্ন সজুলিসমূহ শৰণীয়া-কছাৰীসকলে বাঁহ-বেতেৰেই সাজি লয়। ঘৰ দুৱাৰ নিৰ্মাণৰ উপৰিও বিভিন্ন ধৰণৰ সা-সজুলি বাঁহ-বেতেৰে বনায়। ডলা, কুলা, চালনী, পাচি-খৰাহী, ঢাৰী, জাকৈ-খালৈ, প'ল, চহৰা, চেপা, জুলুকি ইত্যাদি শৰণীয়া-কছাৰীসকলে নিজে তৈয়াৰ কৰি লয়। ইয়াৰ উপৰিও খেতি-বাতিত প্ৰয়োজন হোৱা নাঙল-যুঁৱলিও নিজে তৈয়াৰ কৰি লয়।

সোণাৰি-শিল্প, চিত্ৰ-শিল্প আৰু কাঁহ-পিতলৰ-শিল্প শৰণীয়া সমাজত দেখা নাযায় যদিও যি কেইটা শিল্পৰ প্ৰচলন শৰণীয়া সমাজত আছে সেইবোৰে শৰণীয়া-কছাৰীসকলৰ ৰুচি তথা সৌন্দৰ্যবোধৰ সুন্দৰকৈ

পৰিচয় বহন কৰিছে। এই লোক-শিল্পসমূহে বহুত ক্ষেত্ৰত শৰণীয়া-কছাৰীসকলৰ ৰুচিৰ প্ৰকাশ ঘটোৱাৰ উপৰিও তেওঁলোকৰ আৰ্থিক  অৱস্থাটোও টনকীয়াল কৰি তুলিছিল। গতিকে এই শিল্পসমূহৰ সংৰক্ষণ তথা পুনৰ উজ্জীৱনৰ প্ৰয়োজনীয়তা অধিক।

### ৪.১.১.২ লোক-কলা ঃ

লোক-শিল্পৰ দৰে লোক-কলাও ভৌতিক-সংস্কৃতিৰ অন্তৰ্গত এটি উপবিভাগ। লোক-কলাসমূহৰ মাজেৰে মানুহৰ ৰুচি-অভিৰুচিৰ বৰ্হিপ্ৰকাশ ঘটে। জনসাধৰণে যি কাম কৰি মনত আনন্দ লাভ কৰে, যি কৰ্মই এক ছন্দময় গতিত ধাৱমান হয়, য'ত লালিত্য, মাধুৰ্য তথা মাৰ্জিতবোধ থাকে সেয়ে লোক-কলা। লোক-কলাসমূহৰ মাজেৰে জনসাধাৰণে নিজৰ ভাল লগা, বেয়া-লগা অনুভূতিবোৰ প্ৰকাশ কৰে।

লোক-কলাৰ বিভিন্ন বিভাগ আছে। লোক-কলাৰ অন্তৰ্গত বিভাগ কেইটা হ'ল -

১) লোক-নাট্য

২) লোক-সংগীত

৩) লোক-নৃত্য

### ৪.১.১.২.১ লোক-নাট্য ঃ

জনসাধাৰণৰ মাজত সৰ্বাধিক জনপ্ৰিয় এই লোক-কলা বিধ হৈছে লোক-নাট্য।  লোক-নাট্যসমূহ অসমৰ জনসাধৰণৰ মাজত অতি প্ৰাচীন কালৰ পৰাই চলি আহিছে যদিও কিছু কিছু অনুষ্ঠানৰ সময়ৰ সোঁতত অৱক্ষয় আৰু পৰিবৰ্তন হৈছে। শৰণীয়া-কছাৰীসকলৰ মাজতো বিভিন্ন লোক-নাট্য ধৰ্মী অনুষ্ঠানৰ প্ৰচলন আছে যদিও সময়ৰ লগে লগে কিছু অনুষ্ঠানৰ বিলুপ্তি ঘটিছে। বিলুপ্তি নোহোৱাকৈ থকা অনুষ্ঠান কেইটাৰ মাজলৈও কিছু দিশত পৰিৱৰ্তন আহিছে। শৰণীয়া-কছাৰীসকলৰ মাজত প্ৰচলিত লোকনাট্য অনুষ্ঠানসমূহ নামনি অসমত প্ৰচলিত লোক-নাট্য অনুষ্ঠানসমূহতকৈ পৃথক নহয় যদিও দুই এটি দিশত পাৰ্থক্য থকা দেখা যায়। তলত শৰণীয়া-কছাৰীসকলৰ মাজত প্ৰচলিত কেইটামান লোক-নাট্যধৰ্মী অনুষ্ঠানৰ উল্লেখ কৰা হ'ল -

**৪১.১.২.১.১ ঢুলীয়া ঃ**

নৃত্য আৰু নাট্যধৰ্মী সমলেৰে পৰিপুষ্ট ঢুলীয়া পৰম্পৰাগতভাবে অতি প্ৰাচীন কালৰে পৰা বৰ্তমানলৈ অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সমাদৃত হৈ আহিছে। শৰণীয়া কছাৰীসকলৰ মাজত প্ৰচলিত 'ঢুলীয়া' এটি অতি জনপ্ৰিয় নাট্যানুষ্ঠান। তেওঁলোকৰ সমাজত প্ৰচলিত ঢুলীয়া নাট্য অনুষ্ঠানক দুটা ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি -

১) ঢেপা ঢুলীয়া

২) পাতি ঢুলীয়া

ঢেপা ঢুলীয়া আৰু পাতি ঢুলীয়া যি কোনো মাংগলিক অনুষ্ঠানতে পৰিবেশন কৰা হয় যদিও ঢেপা ঢুলীয়া মাংগলিক অনুষ্ঠানত গোৱাত বাধ্য-বাধকতা নাই। অৰ্থাৎ মাংগলিক অনুষ্ঠানত পৰিবেশন নকৰিলেও কথা নাথাকে। কিন্তু পাতি ঢুলীয়া মাংগলিক অনুষ্ঠানত গোৱাটো বাধ্যতামূলক। শৰণীয়া-কছাৰীসকলৰ মাজত প্ৰচলিত ঢোলৰ তথা ঢুলীয়াৰ পৰম্পৰা সংগীতকলাৰ সমানে পুৰণি। সাধাৰণতে আম, কঠাল, নিম আদি গছেৰে তেওঁলোকে ঢোল বনায়। তেওঁলোকৰ মাজত প্ৰচলিত ঢোলসমূহৰ আকৃতি আৰু বৈশিষ্ট্য অনুসৰি বিভিন্ন প্ৰকাৰৰ ঢোল দেখা যায়। শৰণীয়া-কছাৰীসমাজত বিভিন্ন ঢোলৰ তথা ঢুলীয়া কৃষ্টিৰ প্ৰচলন আছিল যদিও যুগ বিৱৰ্তনৰ ফলত ঢুলীয়া কৃষ্টি ক্ৰমে লোপ পাই আহিছে। তেওঁলোকৰ মাজত বৰঢোল, ঢেপাঢোল, চুঙাঢোল, পাতিঢোল, জয়ঢোল,বিহুঢোল আদিৰ প্ৰচলন আছে যদিও বৰ্তমানে ঢেপাঢোল আৰু পাতিঢোলৰহে অধিক প্ৰচলন দেখা যায়। ঢেপাঢোল আৰু পাতিঢোল বজাই ঢুলীয়াসকলে নৃত্য কৰে। ঢুলীয়াসকলে ঢোল পৰিবেশন কৰোতে চাৰিটাৰ পৰা আঠটালৈ ঢোল পৰিবেশন কৰে। আৰম্ভনীতে আঠটা ঢোল লৈ পৰিবেশন কৰে। তাৰে দুটা ঢোলৰ একেবাৰে আগত থাকি তাল-মান ৰাখি ঢুলীয়াই নৃত্য প্ৰদৰ্শন কৰে। বাকী ছয়টা ঢোল (ডাঙৰৰ পৰা সৰুলৈ) সম দূৰত্বত পৰিবেশন কৰে। ঢোল-তাল আৰু কালীৰ সংমিশ্ৰনত ঢুলীয়া অনুষ্ঠানে এক নান্দনিক সৌন্দৰ্য লাভ কৰে।

ঢুলীয়া নাট্যনুষ্ঠানত তেনে কোনো বিশেষ কাহিনী নাই যদিও ঢুলীয়া দলত থকা লোকসকলে খুহুতীয়া আলাপ গাই পৰিবেশটো ৰসাল কৰি তোলে। সেইটো পৰিবেশত দলত থকা লোকসকলৰ যি মনলৈ আহে তাকেই সুৰ লগাই অভিনয় কৰি যায়। অৱশ্যে কেতিয়াবা পৌৰাণিক কাহিনীকো নাট্যৰূপ দি অনুষ্ঠান পৰিবেশন কৰে। সাজপাৰৰ ক্ষেত্ৰত বিশেষ তাৰতম্য থকা দেখা নাযায় যদিও সেউজীয়া ৰঙৰ মোক্‌চা ডিঙিত লয়, বগা ৰঙৰ হালুৰৈ চোলা আৰু বগা ধুতি পিন্ধে। ঢুলীয়া নাট্যনুষ্ঠানটোৱে শৰণীয়া

কছাৰী সমাজক অধিক আমোদ দিয়ে। দেহৰ বিভিন্ন অংগী-ভংগীৰে দৰ্শক শ্ৰোতাক মনোৰঞ্জন দিয়ে। নাটক হ'বৰ বাবে প্ৰয়োজনীয় সকলো উপাদান সঠিক পৰিমাণত ইয়াত দেখা নাযায় যদিও নাটকৰ বৈশিষ্ট্যসমূহৰ কিছু আভাস দেখা যায়। সেয়েহে লোকনাট্য অনুষ্ঠান হিচাপে ইয়াৰ সমাদৰ অধিক।

### ৪.১.১.২.১.২ ওজাপালি ঃ

শৰণীয়া সমাজত ওজাপালিৰ প্ৰচলন একেবাৰ সীমিত। দুই এটি ধৰ্মীয় অনুষ্ঠানতহে ওজাপালি নাট্যানুষ্ঠানৰ প্ৰচলন দেখা যায়। ওজাপালিৰ ভাগ দুটা- সুকন্নানী আৰু বিয়াহৰ (ব্যাসৰ) ওজাপালি। সুকন্নানী ওজাপালি কেৱল গোসাঁনী পূজাতহে গায়। সুকন্নানী ওজাপালি গোৰা দলটোৱে ৰঙা সাজ পৰিধান কৰিব লাগে। আনহাতে ব্যাসৰ গীত গোৰা দলটোৱে ৰামায়ণ, মহাভাৰতৰ আখ্যান বৰ্ণনা কৰি অভিনয় কৰি যায়। গোসাঁনী পূজাৰ বাহিৰে যিকোনো মাংগলিক অনুষ্ঠানতে ব্যাসৰ ওজাপালি গাব পাৰে। বিভিন্ন ধৰণৰ ৰসাল কথাৰে ওজাপালিয়ে দৰ্শকক আমোদ দিয়ে।

### ৪.১.১.২.১.৩ নাগাৰা-নাম ঃ

শৰণীয়া-কছাৰীসকলৰ মাজত প্ৰচলিত নাগাৰা-নামক পাল-নাম বা খেল-নাম বুলি কয়। পাল পাতি গাই কাৰণে পাল-নাম আৰু দুটা দল বা খেলে অংশ গ্ৰহণ কৰে কাৰণে খেল-নাম বুলিও কয়। পালনামত নামতী বা পাঠক গৰাকীয়ে কাতিমাহৰ কোনোবা এটি দিনত পাল-নাম বা খেল-নাম গায়। পাল-নামত নামতীগৰাকীয়ে কাহিনী বৰ্ণনা কৰি যোৱাৰ লগতে কাহিনীত থকা চৰিত্ৰসমূহৰ অভিনয় কৰি যায়। খেল-নাম বা পাল-নামৰ আগদিনাৰ পৰা পিছদিনালৈ দেউৰীজনে লঘোণে থাকি অনুষ্ঠানৰ মাহ-প্ৰসাদৰ কাৰ্যসূচীসমূহ পালন কৰে।

ইয়াৰ বাহিৰেও আন আন কিছুমান লোক-নাট্যধৰ্মী অনুষ্ঠান আছে যদিও সেইবোৰৰ মাজত বিশেষ স্বকীয়তা দেখিবলৈ পোৱা নাযায়।

শৰণীয়া-কছাৰীসকলৰ মাজত প্ৰচলিত লোক-নাট্য অনুষ্ঠানসমূহে শৰণীয়া সমাজক মনোৰঞ্জন দিয়াৰ উপৰিও এই অনুষ্ঠানসমূহৰ মাজেৰে শৰণীয়া-কছাৰী সমাজৰ সামাজিক আৰু অৰ্থনৈতিক দিশো প্ৰতিফলিত হয়।

**৪.১.১.২.২ লোকগীত ঃ**

(বিশেষ দ্ৰষ্টব্য, প্ৰচ্ছদ নং ৫.১.১.১, পৃ. ১৪৪)

**৪.১.১.২.৩ লোক-নৃত্য ঃ**

ভৌতিক সংস্কৃতিৰে অন্তৰ্গত এটি অন্যতম ভাগ হৈছে লোক-নৃত্য। তলত শৰণীয়া সমাজত প্ৰচলিত কেইবিধমান নৃত্যৰ বিষয়ে উল্লেখ কৰা হ'ল -

**৪.১.১.২.৩.১ বাম্বোলপিটা-নৃত্য ঃ**

বাম্বোলপিটা উৎসৱত যি নৃত্য-গীত পৰিবেশন কৰা হয় তাকে বাম্বোলপিটা-নৃত্য বোলে। বাম্বোলপিটা-নৃত্য বৰ মনোমোহা নৃত্য। এই নৃত্যত সাধাৰণতে পুৰুষসকলে আগভাগ লোৱা দেখা যায়। পুৰুষসকলে এই নৃত্য কৰিবলৈ একজাতীয় পোছাক পৰিধান কৰে। পুৰুষসকলে শুধ বগা গেঞ্জি আৰু লেংটি মাৰি গামোচা পিন্ধে, মুৰত গামোচাৰ পাগুৰি মাৰে। পুৰুষসকলে পিন্ধা গামোচাখনৰ ৰঙটো সাধাৰণতে সেউজীয়া হয়। প্ৰতিজনে হাতত চাৰি হাত মান দীঘল বাঁহৰ লাখুটি আৰু সৰু বাঁহৰ মাৰি লয়। দুয়োখন হাতেৰে দুয়োডাল বাঁহ লগ লগাই মৃদু ঝংকাৰ তুলি গীত গাই গাই এই নৃত্য কৰে। দলটোৱে বৃত্তাকাৰ গতিত ঘূৰি ঘূৰি বাঁহৰ মাৰিত ছন্দময় ৰোল তুলি এই নৃত্য পৰিবেশন কৰে। এই নৃত্যসমূহে শৰণীয়া-কছাৰী সমাজৰ সাহিত্য-সংস্কৃতিৰ ভঁৰালটো চহকী কৰি ৰাখিছে।

**৪.১.১.২.৩.২ মহখেদা-নৃত্য ঃ**

মহখেদা নৃত্য আৰু বাম্বোলপিটা-নৃত্যৰ মাজত কিছু সাদৃশ্য থকা দেখা যায়। বাম্বোলপিটা-নৃত্যৰ দৰে মহখেদা-নৃত্যও মানুহৰ ঘৰে ঘৰে গৈ কৰা হয়। মহখেদা-নৃত্যত গাঁৱৰ ডেকাসমূহে একগোট হৈ বগা ধুতি, চুৰিয়া আৰু গেঞ্জি, ডিঙিত গামোচা লৈ ঘৰে ঘৰে মহ খেদিব যায়। তদুপৰি ডেকাহঁতে মহ খেদিব যাওঁতে হাতত টাঙোন লৈ গৃহস্থৰ চোতালত কোবাই-কোবাই মহখেদা-নৃত্য প্ৰদৰ্শন কৰে। অৱশ্যে মহখেদা-নৃত্য তথা উৎসৱৰ লগত বাম্বোলপিটা-নৃত্য তথা উৎসৱৰ সাদৃশ্যতকৈ বৈসাদৃশ্য অধিক। বাম্বোলপিটা-নৃত্যত গোৱা গীতসমূহৰ লগত মহখেদা-নৃত্যৰ গীতৰ মিল নাই। তথাপিও মহখেদা নৃত্যই শৰণীয়া-কছাৰী সমাজৰ সাহিত্য-সংস্কৃতিৰ ভঁৰাল চহকী কৰি ৰাখিছে।

**৪.১.১.২.৩.৩ গোছালোৱা-নৃত্য ঃ**

গোছা ল'বলৈ যাওঁতে, গোছা লওঁতে আৰু গোছা লৈ উভতি আহোঁতে ৰোৱনীসকলৰ মাজত স্বতঃস্ফূর্তভাৱে যি উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হয় আৰু সেই পৰিবেশত সৃষ্টি হোৱা নৃত্য-গীতক পৰিবেশ্য কলা হিচাপে প্ৰদৰ্শন কৰাকে গোছালোৱা-নৃত্য বুলি কোৱা হয়। এই নৃত্যত অকল মহিলাইহে অংশগ্ৰহণ কৰে। পুৰুষে বাদ্য সংগত কৰে।

**৪.১.১.২.৩.৪ ন'ৱানখাৱা-নৃত্য ঃ**

ন'ৱান-খাৱাক আশ্ৰয় কৰি যি নৃত্য-গীত পৰিবেশন কৰা হয় তাকে ন'ৱানখাৱা-নৃত্য বোলে। ন'ৱানখাৱা-নৃত্যত পুৰুষে অংশগ্ৰহণ নকৰে। কেৱল বাদ্য সংগত কৰে। মহিলাসকলে জাতীয় সাজপাৰ পৰিধান কৰি এই নৃত্য কৰে। দিনৰ পৰাই এই অনুষ্ঠানটিৰ বিভিন্ন কাৰ্য কৰা হয় যদিও ৰাতিহে ন'ৱানখাৱা-নৃত্য কৰে মহিলাসকলে।

**৪.১.১.২.৩.৫ পলুপোহা-নৃত্য ঃ**

পলুৰ জীৱন চক্ৰ, পলুপোহা, সূতা কটা, কাপোৰ বোৱা প্ৰক্ৰিয়া-পদ্ধতি আদিৰ আধাৰত যি নৃত্য পৰিবেশন কৰা হয় তাকে পলুপোহা-নৃত্য বোলে। এই নৃত্যত অকল মহিলাইহে অংশগ্ৰহণ কৰে। পুৰুষে কেৱল বাদ্য সংগত কৰে।

**৪.১.১.২.৩.৬ চিকাৰ-নৃত্য ঃ**

অইন জনগোষ্ঠীৰ দৰে শৰণীয়া-কছাৰীসকলেও এসময়ত চিকাৰ কৰিছিল। চিকাৰ কৰিবলৈ যাওঁতে বাঘ, ভালুক আদি বন্য হিংস্ৰ জন্তুৰ পৰা ৰক্ষা পাবলৈ তেওঁলোকে ইষ্ট দেৱতাক স্মৰণ কৰি পূজা-পাতাল কৰিছিল। ইষ্ট দেৱতাক তুষ্ট কৰিবলৈ হলে তন্ত্ৰ-মন্ত্ৰ আদিৰ ব্যৱহাৰ অপৰিহাৰ্য বুলি শৰণীয়া-কছাৰীসকলে বিশ্বাস কৰিছিল। সেয়ে জাল, জৰী, ঢাল, বল্লম আদি লৈ পূজা-পাতল কৰি চিকাৰ কৰিবলৈ গৈছিল। চিকাৰত ভয়-শঙ্কাৰ মাজতো যি শঙ্কাবিহীন অঙ্গ সঞ্চালন কিম্বা চিকাৰ পৰিলে যি বিজয় উল্লাস হৈছিল, সেইবোৰৰ আধাৰত পৰিবেশ্য কলা হিচাপে যি নৃত্য-গীত পৰিবেশন কৰা হৈছিল তাক চিকাৰ নৃত্য বোলে।

### ৪.১.১.২.৩.৭ মাছমৰীয়া-নৃত্য ঃ

শৰণীয়া-কছাৰীসকলে জাকপাতি মাছ মাৰে । জাকপাতি সমূহীয়াভাবে মাছ-মাৰিবলৈ যাঁওতে আৰু মাছ মাৰোঁতে যি উলহ-মালহ, উৎসৱ-মুখৰ পৰিবেশৰ সৃষ্টি হয় আৰু সেই পৰিবেশত স্বতঃস্ফূৰ্তভাৱে যি নাচ-গানৰ সৃষ্টি হয় তাৰ আধাৰত যি নৃত্য-গীত পৰিবেশ্য কলা হিচাপে প্ৰদৰ্শন কৰা হয় তাকে মাছমৰীয়া-নৃত্য বুলি কোৱা হয়। মাছমৰীয়া নৃত্য তিনি প্ৰকাৰত ভাগ কৰিব পাৰি। যেনে- ক) জাকৈ-নৃত্য, খ) প'ল-নৃত্য আৰু গ) জাকৈপ'ল-নৃত্য।

**ক) জাকৈ-নৃত্য ঃ**

কোনো গাঁও বা চুবুৰীৰ শৰণীয়া-কছাৰী মহিলাই জাতীয় সাজপাৰত জাকৈ-খালৈ লৈ মাছ মাৰিবলৈ যাওঁতে আৰু মাছ মাৰি থাকোতে যি লয়লাস সংগীতময় পৰিবেশৰ সৃষ্টি হয় তাক নৃত্য আকাৰত ৰূপ দিয়াকে জাকৈ-নৃত্য বোলা হয়।

**খ) প'ল-নৃত্য ঃ**

শৰণীয়া-কছাৰীসকলৰ কোনো গাঁও বা চুবুৰীৰ পুৰুষে জাতীয় সাজপাৰত পল, বৰখালৈ আদি লৈ মাছ মাৰিবলৈ যাওঁতে আৰু মাছ মাৰোতে যি উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হয় তাক নৃত্যৰ আকাৰত ৰূপ দিয়াকে পল নৃত্য বুলি কোৱা হয়।

**গ) জাকৈপ'ল-নৃত্য ঃ**

শৰণীয়া-কছাৰীসকলৰ গাঁও বা চুবুৰীৰ পুৰুযে পল, জাল, বৰশীলৈ আৰু মহিলাই জাকৈ-খালৈ লৈ মাছ মাৰিবলৈ যাওঁতে আৰু মাছ মাৰোঁতে যি উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হয় তাক নৃত্যৰ আকাৰত ৰূপ দিয়াকে জাকৈপ'ল-নৃত্য বোলে।

### ৪.১.১.২.৩.৮ গোসাঁনী-নৃত্য ঃ

শৰণীয়া-কছাৰীসকলে ন'ৱান-খাৱাৰ দিনা গোসাঁনী পূজা কৰে। এই গোসাঁনী পূজা উপলক্ষে গোসাঁনী নৃত্য কৰে। এই নৃত্যত শৰণীয়া-কছাৰীৰ মহিলাসকলে জাতীয় সাজ-পাৰৰ পৰিৱৰ্তে ৰঙা ৰঙৰ বস্ত্ৰ পৰিধান কৰা দেখা যায়।

### ৪.১.১.২.৩.৯ বৰভেল উটোৱা-নৃত্য ঃ

বাটৰ পূজা আৰু আই পূজাত ভেল উটাবলৈ যোৱা দেউৰীসকল উভতি আহি নোপোৱালৈকে পূজা থলিত থকা মহিলাসকলে আধ্যাত্মিক আনন্দত পৰমাৰ্থিক গীত গাই, নাচি-বাগি, ফুৰ্তি কৰি এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। সেই পৰিৱেশত সৃষ্টি হোৱা নাচ-গানক কলাত্মক ৰূপ দি যি নৃত্য-গীত পৰিবেশন কৰা হয় তাকে বৰভেল উটোৱা নৃত্য বোলে। বৰভেল উটোৱা নৃত্যত কেৱল মহিলাইহে অংশ গ্ৰহণ কৰে, পুৰুষে কেৱল বাদ্যহে বজায়।

উল্লেখিত নৃত্যসমূহক শৰণীয়া-কছাৰী সমাজৰ মনোৰঞ্জনৰ এক অন্যতম আহিলা বুলি ক'ব পাৰি। এই নৃত্যসমূহৰ জৰিয়তে জনসাধাৰণে মনোৰঞ্জন লাভ কৰাৰ উপৰিও শৰণীয়া সমাজৰ স্বকীয়তাও আনৰ ওচৰত প্ৰতিফলিত কৰায়।

### ৪.১.১.৩ লোকস্থাপত্য-কলা ঃ

লোকস্থাপত্য-কলা হৈছে ভৌতিক সংস্কৃতিৰ অন্তৰ্গত এটি অন্যতম বিভাগ। জনসাধাৰণৰ জৈৱিক পৰিবেশৰ এটি অন্যতম উপাদান হৈছে লোক স্থাপত্য কলা। এই স্থপতি কলাসমূহৰ নিৰ্মাণ কৰে মানুহে। জনসাধাৰণে নিজৰ প্ৰয়োজনত সাজি উলিওৱা বিভিন্ন গৃহ নিৰ্মাণ প্ৰণালীক সাধাৰণতে স্থপতিকলা বোলে। ঘৰ-দুৱাৰ নিৰ্মাণ, দুৱাৰ-খিৰিকীৰ কাৰুকাৰ্য আদিকে সহজ অৰ্থত স্থপতি কলা বোলে। স্থপতি কলাসমূহ নিৰ্মাণ কৰাৰ সময়ত নিৰ্মাতাসকলে প্ৰথম অৱস্থাত নিজৰ বা সমাজৰ প্ৰয়োজনৰ কথা ভাবিহে স্থপতি কলাৰ নিৰ্মাণ কৰে। তেওঁলোকে সেই নিৰ্মাণ কাৰ্য পিছৰ প্ৰজন্মই চাব বুলি বা কাৰোবাৰ পৰা সেই নিৰ্মাণ কাৰ্যৰ কাৰণে প্ৰশংসা লাভ কৰিব বুলি নিৰ্মাণ নকৰে। সেয়েহে তেওঁলোকে থলুৱা ভাবে পোৱা সামগ্ৰীৰে প্ৰথমে নিৰ্মাণ আৰম্ভ কৰে। তদুপৰি স্থপতি কলাসমূহ নিৰ্মাণ কৰোঁতে নিৰ্মাতাসকলে পৰিবেশ আৰু পৰিস্থিতি অনুকুলেহে নিৰ্মাণ কাৰ্য কৰে। অৰ্থাৎ কোনো এটা পৰিবেশৰ জলবায়ু অধিক ঠাণ্ডা হ'লে সেই পৰিবেশত ঠাণ্ডাৰ পৰা হাত সাৰিবলৈ গৃহ নিৰ্মাণ কৰে। সেইদৰে গৰমৰ পৰা হাত সাৰিবলৈও পৃথক গৃহ নিৰ্মাণ কৰে। সেয়েহে বিভিন্ন অঞ্চলৰ গৃহ নিৰ্মাণ প্ৰণালীৰ মাজত ভিন্নতা দেখা যায়। গৃহ নিৰ্মাণৰ উপৰিও মঠ মন্দিৰ নিৰ্মাণৰ ক্ষেত্ৰতো ভিন্নতা দেখা যায়।

শৰণীয়া-কছাৰীসকল লোকস্থাপত্য-শিল্পত পিছপৰা নহয়। তেওঁলোকৰ মাজতো ঘৰ নিৰ্মাণৰ বিভিন্ন প্ৰণালী আছে। লোকস্থাপত্য-শিল্প কলাৰ অন্যতম নিদৰ্শন তেওঁলোকৰ গৃহ নিৰ্মাণ প্ৰনালীত দেখা যায়। ভৌগোলিক পৰিবেশ, পৰিস্থিতি অনুযায়ী শৰণীয়া-কছাৰীসকলৰ গৃহ নিৰ্মাণৰ স্বকীয়তা দেখা যায়।

শৰণীয়া-কছাৰী লোকসকলৰ প্ৰধান জীৱিকা যিহেতু কৃষি, সেয়েহে তেওঁলোকৰ আৰ্থিক অৱস্থাও সিমান টনকীয়াল নহয়। সেয়েহে তেওঁলোকে গৃহ নিৰ্মাণৰ কাৰণে কমখৰচী আৰু সহজলভ্য বিভিন্ন প্ৰাকৃতিক উপাদানৰ সহায় লয় আৰু তাৰ মাজতেই তেওঁলোকৰ গৃহ নিৰ্মাণৰ কলা-কৌশলো সুন্দৰভাবে ফুটি উঠা দেখা যায়।

## গৃহ নিৰ্মাণৰ আহিলা ঃ

শৰণীয়া-কছাৰী সমাজে গৃহ নিৰ্মাণৰ আহিলা হিচাপে প্ৰধানত কাঠ, খেৰ, বাঁহ, ইকৰা আদিৰ ব্যৱহাৰ কৰে। বৰ্তমানে অৱশ্যে গৃহ নিৰ্মাণ প্ৰণালীৰ কিছু পৰিমাণে সাল সলনি হোৱা দেখা যায়। চালৰ বাবে শৰণীয়া-কছাৰীসকলে উলু খেৰ ব্যৱহাৰ কৰে। দুৱাৰ-খিৰিকী সাধাৰণতে বাঁহ আৰু কাঠৰ কৰা হয়। ঘৰৰ বেৰবোৰ মাটি, গোবৰৰ মিশ্ৰণেৰে ধুনীয়াকৈ মোচা হয়। মাটিৰ লগত গোবৰ দিলে ই পোক-পৰুৱা নাশ কৰে ফলত বেৰবোৰ বহুদিন ভালে থাকে। বন্ধা-মেলাৰ আহিলা হিচাপে বিভিন্ন বাঁহৰ তমাল, লতা আদি ব্যৱহাৰ কৰা হয়। গৃহ নিৰ্মাণত ব্যৱহাৰ হোৱা প্ৰাকৃতিক উপাদানসমূহৰ ক্ষণস্থায়িত্ব লৈ চাই তেওঁলোকে বৰ্তমান ইটা, বালি আদি প্ৰাকৃতিক তথা মানৱসৃষ্ট উপাদানৰ সহায় লোৱা দেখা যায়। গৃহ নিৰ্মাণৰ ক্ষেত্ৰত শৰণীয়া-কছাৰীসকলে বিভিন্ন নীতি-নিয়মৰ মাজেৰে কাৰ্যক্ৰমনিকা আগবঢ়াই নিয়ে।

সকলো শুভ কৰ্মৰ আগতে শৰণীয়া সমাজে যেনেদৰে দৈবজ্ঞৰ হতুৱাই দিন বাৰ চাই ঠিক তেনেদৰে নতুন ঠাইত বা পুৰণি ভেটিৰ সলনি নতুন ভেটিত গৃহ নিৰ্মাণ কৰিবলৈ হ'লে গৃহ নিৰ্মাণৰ আগেয়ে গনকৰ দ্বাৰা ঠাইখিনি পৰীক্ষা কৰি চায়। সকলো ঠিক-ঠাক থাকিলে গৃহ নিৰ্মাণ কাৰ্য আৰম্ভ কৰে। প্ৰথমে ঘৰটোৰ লাইখুঁটা পোতে। লাইখুঁটা পোতাৰ দিনাও ঘৰখনত এক উৎসৱ মুখৰ পৰিবেশৰ সৃষ্টি হয়। সেইদিনা ৰাতিপুৱাই ঠাইডোখৰৰ পূব পিনে এখন শৰাই দিয়া হয়। শৰাইখনত এখন ৰঙা কাপোৰ দিয়া হয়। তাৰ পিছত ৰঙা কাপোৰখন শৰাইৰ পৰা আনি লগত পান, তামোল, আমৰপাত, বেলপাত আদি দি লাই খুটাত বান্ধি দিয়া হয়। লাইখুটাৰ চাৰিওফালে সোণপানী ছটিওৱা হয়। লাইখুটাৰ ওচৰত শৰাইৰ লগতে ধূপ-দীপো দিয়া হয়। সকলো মাংগলিক কাৰ্য সমাপনৰ পিছতে এমুঠি-দুমুঠিকৈ মাটি লাইখুটাটোৰ গুৰিত দিয়ে। এনেদৰে গৃহ নিৰ্মাণ প্ৰক্ৰিয়া আৰম্ভ হয়।

শৰণীয়া-কছাৰী সমাজত নিৰ্মাণ হোৱা বিভিন্ন প্ৰকাৰৰ ঘৰবোৰৰ নিৰ্মাণ পদ্ধতি একে যদিও ঘৰ অনুযায়ী অৱস্থান ভিন ভিন হোৱা দেখা যায়। শৰণীয়া-কছাৰীসকলৰ বৰঘৰ বা মূল ঘৰটো সদায় উত্তৰ পিনে সাজে। মূল ঘৰটো হৈছে ঘৰৰ প্ৰতিগৰাকী সদস্যৰ শোৱা ঘৰ। মূল ঘৰটোৰ মাজত দুখন বেৰ দি

তিনিটা কোঠালী কৰা হয়। পূব কোঠা আৰু পশ্চিম কোঠাত পৰিয়ালৰ সদস্যই শোৱে। মাজৰ কোঠালি খোলা থাকে। এই কোঠালীটোক মজিয়া/মইজা বোলে। ইয়াত বহি পৰিয়ালৰ মানুহে কথা পাতে। কেতিয়াবা আকৌ কোনোবা এঘৰৰ পাকঘৰটো ঠেক হ'লে মজিয়াত বহি খোৱা কাৰ্য সমাপন কৰে।

মূল ঘৰটোৰ পূবপিনে পাকঘৰ সাজে। এই পাকঘৰ মূল ঘৰটোৰ লগত লগলগাই অৰ্থাৎ বৰঘৰৰ বাৰান্দাৰে পাকঘৰলৈ যাব পৰাকৈ বন্ধা হয়। সাধাৰণতে পাকঘৰটোত দুটা কোঠালি কৰে। এটা কোঠাত ভাত ৰন্ধা হয় আৰু আনটো কোঠাত ভাত খোৱা হয়। অৱশ্যে ভাতখোৱা কোঠালিটো প্ৰায়ভাগ লোকে আহল-বহলকৈ সজায়। কাৰোবাৰ ঠেক হ'লে 'মইজা' খনকে প্ৰয়োজন হলে ভাত খোৱাৰ বাবে ব্যৱহাৰ কৰে।

পাকঘৰৰ কাষতে বৰঘৰৰ দক্ষিণে গোহালী ঘৰ। গোহালী ঘৰটো শৰণীয়া-কছাৰী সমাজৰ মৰ্যদাৰ প্ৰতীক। যাৰ গৰু নাই তেনে ঘৰৰ আৰ্থিক অৱস্থা দুৰ্বল বুলি ভবা হয়। গৰু পুহি তেওলোকে আৰ্থিক অৱস্থা স্বচ্চল কৰে। গোহালী ঘৰটোৰ চাৰিওফালে বেৰ নাথাকে। চাৰিওফালে খোলা ৰাখে। চোৰ-ডকাইতৰ উপদ্ৰব তেওলোকৰ সমাজত খুব কম আছিল। এতিয়া অৱশ্যে এই নিৰ্মাণ পদ্ধতিৰ কিছু তাৰতম্য ঘটিছে।

গোহালী ঘৰৰ কাষতে শৰণীয়া লোকে ভৰাঁল ঘৰ সাজে। ভৰাঁল ঘৰৰ জৰিয়তেও শৰণীয়া লোকৰ আৰ্থিক অৱস্থাৰ কথা গম পোৱা যায়। ভৰাঁল ঘৰৰ আকাৰ ডাঙৰ হ'লে মানুহ ঘৰৰ আৰ্থিক স্বচ্চলতাৰ কথা গম পাব পাৰি। শৰণীয়া সমাজত ভৰাঁল ঘৰৰ ভূমিকা তথা গুৰুত্ব বহুত বেছি। ভৰাঁল ঘৰত লক্ষী থাকে বুলি বিশ্বাস কৰে। এই ভৰাঁল ঘৰক কেন্দ্ৰ কৰিয়ে বিভিন্ন লোকাচাৰ গঢ়ি উঠিছে।

চ'ৰা ঘৰেও শৰণীয়া সমাজত গুৰুত্ব পূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। অৱশ্যে আজিকালি এই চ'ৰাঘৰৰ  ঠাই ড্ৰয়িং ৰুমে দখল কৰিলে। আলহী বহিবলৈ দিয়া, কথা বতৰা পতা, প্ৰয়োজন হ'লে দূৰণীবটীয়া আলহীক থাকিবলৈ দিয়া ইত্যাদি কামবোৰ চ'ৰাঘৰত কৰা হয়।

মুঠৰ ওপৰত গৃহ নিৰ্মাণ কাৰ্য অতি নিপুন আৰু নিখুঁত ভাবে শৰণীয়া-কছাৰীসকলে কৰে। সকলো দিশৰ ক্ষেত্ৰতে শৰণীয়া-কছাৰীসকল যেনেদৰে আগবঢ়া ঠিক তেনেদৰে গৃহ নিৰ্মাণৰ ক্ষেত্ৰতো শৰণীয়া-কছাৰীসকল আগবঢ়া। গৃহ নিৰ্মাণ প্ৰণালীয়ে শৰণীয়া সমাজৰ লোকৰ বুদ্ধিমত্তাৰ পৰিচয় দিয়ে। ৰ'দ, বতাহ, বৰষুণ, পোক, পৰুৱাৰ পৰা ৰক্ষা পাবলৈ তেওঁলোকে বিভিন্ন প্ৰাকৃতিক উপাদান ব্যৱহাৰ কৰি গৃহ নিৰ্মাণ কৰিছিল। এই গৃহ নিৰ্মাণ প্ৰণালীয়ে তেওঁলোকক এক অনন্য ৰূপে গঢ় দি তুলিছে।

**৪.১.১.৪ লোক-আভৰণ ঃ**

বহুৰঙী জাতি জনজাতিৰে ভৰপুৰ অসম তথা উত্তৰ পূৰ্বাঞ্চল বহুৰঙী সংস্কৃতিৰ সমন্বয়ৰ ভূমি। অসমত থকা প্ৰতিটো জাতি জনগোষ্ঠীয়ে সুকীয়া-সুকীয়া বেশ-ভুষা পৰিধান কৰে। অসমৰ এটি অন্যতম জনগোষ্ঠী শৰণীয়া-কছাৰীসকলৰ মাজতো সাজপাৰৰ সুকীয়া বৈশিষ্ট্য পৰিলক্ষিত হয়। অসমৰ আন আন জনগোষ্ঠীসমূহৰ নিচিনাকৈ শৰণীয়া-কছাৰীসকলৰ পুৰুষ মহিলা সকলোৰে সুকীয়া সাজ পৰিধান কৰা পৰিলক্ষিত হয়। প্ৰাচীন কালত শৰণীয়া মহিলা সকলে বুকুত মেথনি মাৰি মেখেলা পিন্ধিছিল। তাৰ ওপৰত আগৰণ (আভৰণ) হিচাপে চাঁদৰ দুয়ো কান্ধৰ ওপৰত পেলাই লৈছিল। বুকুত মেথনি মাৰি কাপোৰ পিন্ধাৰ পৰম্পৰা এতিয়াও শৰণীয়া-কছাৰী সমাজৰ বয়সীয়া মহিলাৰ মাজত আছে। বৰ্তমানে শৰণীয়া-কছাৰী জনগোষ্ঠীৰ নাৰীসকলে জাতীয় সাজপাৰ হিচাপে সেউজীয়া মেখেলা চাদৰ আৰু চোলা পৰিধান কৰা দেখা যায়। সেউজীয়া ৰং শৰণীয়া কছাৰীসকলৰ মাজত অতিকে প্ৰিয়। সেউজীয়া পৰিবেশৰ (প্ৰকৃতিৰ) মাজত ডাঙৰ দীঘল হোৱা কাৰণেই সেউজীয়া ৰংটো তেওঁলোকৰ অধিক প্ৰিয়। সেয়ে তেওঁলোকে সেউজীয়া ৰংটোক জাতীয় ৰং হিচাপে বিবেচিত কৰে। মেখেলা চাঁদৰ, গামোচা, মোনা, ৰুমাল আদি সকলো কাপোৰৰে ৰং সাধাৰণতে সেউজীয়া হোৱা দেখা যায়। মেখেলা বিলাকৰ তলফালে বিভিন্ন ৰঙীন সুতাৰে ফুল বাচে। গামোছা তথা মোনাসমূহো ধুনীয়া ধুনীয়া ৰং বিৰংৰ সুতাৰে ফুল বচা।

শৰণীয়া-কছাৰীসকলৰ মহিলাসকলে নিজৰ প্ৰয়োজনীয় কাপোৰসমূহ ঘৰতে তাঁত শালত তৈয়াৰ কৰি লয়। কাপোৰ ব'ব নজনা মহিলা শৰণীয়া-কছাৰী সমাজত নাই বুলিয়েই ক'ব পাৰি। সকলো মহিলাই নিজৰ প্ৰয়োজনীয় সাজপাৰসমূহ ঘৰতে তৈয়াৰ কৰি লয়।

শৰণীয়া-কছাৰী সমাজৰ মহিলাসকলে সেউজীয়া ৰঙৰ চাঁদৰ মেখেলা পিন্ধে যদিও পুৰুষসকলে ধূতি কুৰ্তা পাঞ্জাৰী চাৰ্টৰ সলনি আঠুৰ ওপৰত পৰাকৈ সেউজীয়া ৰঙৰ গামোচা পিন্ধে।

তেওঁলোকে ঘৰৰ বাহিৰে-ভিতৰে চুৰিয়া পিন্ধিহে ভাল পায়। অৱশ্যে আজিকালিৰ পুৰুষসকলৰ মাজতো অন্য বাহিৰৰ আনুষ্ঠানিক ঠাইলৈ গ'লে চুৰিয়াৰ সলনি লংপেণ্ট চাৰ্ট পিন্ধা দেখা যায়। কিন্তু আন-আন ঘৰুৱা অনুষ্ঠান, উৎসৱ- পাৰ্বন আদি সকলোতে শৰণীয়া-কছাৰী সমাজৰ পুৰুষ সমাজে সেউজীয়া ৰঙৰ গামোচা বা চুৰিয়া পিন্ধে।

বিয়া নোহোৱা কিশোৰী বা আন প্ৰাপ্ত বয়স্ক মহিলাসকলৰ কিছুমানে বৰ্তমান সময়ত ফ্ৰক, চুৰিদাৰ, জিনচ পেণ্ট আদি পিন্ধে যদিও অতীতত তেওঁলোকৰ সাজপাৰ বেলেগ আছিল । তেওঁলোকে কপাহী চাঁদৰ-মেখেলা পিন্ধিছিল । কিন্তু এতিয়া আধুনিকতাৰ পৰশ পোৱা কিশোৰী, মহিলা, ছোৱালীসকলে

সেই সাজপাৰ পিন্ধা দেখা দেখা নাযায়। দুই এগৰাকী বয়সীয়াল বিয়া নোহোৱা ছোৱালীয়েহে তেনে সাজপাৰ পিন্ধে।

বিভিন্ন কৰ্ম আৰু উৎসৱ-পাৰ্বন অনুযায়ী শৰণীয়া-কছাৰীসকলৰ পুৰুষ আৰু মহিলাই সুকীয়া সাজপাৰ পিন্ধে। তলত শৰণীয়া-কছাৰীসকলৰ সাজপাৰৰ ভিন্নতা সম্পৰ্কে আলোচনা কৰা হ'ল -

**গামোচা ঃ** গামোচা শৰণীয়া-কছাৰীসকলৰ মাজত ব্যৱহৃত এক অপৰিহাৰ্য বস্ত্ৰ। গামোচা শব্দৰ অভিধানিক অৰ্থ হ'ল- গা-ধুই গাৰ পানী টুকা সৰু কাপোৰ। গা বা দেহ মচিবলৈ ব্যৱহাৰ কৰা হয় কাৰণে ইয়াক গামোচা বোলে। গামোচাখন গা মচিবলৈ শৰণীয়া-কছাৰীসকলে ব্যৱহাৰ কৰে। গা-মচাৰ বাহিৰেও পিন্ধাৰ কাৰণেও গামোচাখন ব্যৱহাৰ কৰা হয়। সাধাৰণতে শৰণীয়া-কছাৰীসকলে আঠুৰ তলত বা আঠুৰ ওপৰত গামোচা পিন্ধে। গামোচাখন লেংটি মাৰি পিন্ধাটো শৰণীয়া-কছাৰীসকলৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য। আঠুৰ তলত পিন্ধে কাৰণেই আৰু লেংটি মাৰে কাৰণেই সাধাৰণতে গামোচাখন মোকচাতকৈ ডাঙৰ হয়। গামোচাখন সাধাৰণতে সেউজীয়া ৰঙৰ হয়।

**মোক্‌চা ঃ** মোকচা শৰণীয়া-কছাৰী সমাজত ব্যৱহৃত এখন অন্যতম বস্ত্ৰ । শৰণীয়া-কছাৰী ভিন্ন আন জনগোষ্ঠীয় সমাজ, যেনে - ব্ৰাহ্মণ, কলিতা, কায়স্থ, শূদ্ৰ আদি সমাজত গামোচা আৰু মোক্‌চাৰ মাজত পাৰ্থক্য দেখা নাযায়। গামোচা শব্দটো মোক্‌চা শব্দৰ সমাৰ্থক শব্দ হিচাপে ব্যাৱহাৰ কৰা হয়। সাধাৰণতে গাঁৱলীয়া বা কথিত ভাষাত বিশেষকৈ কামৰূপীয়া অঞ্চলত গামোচাক মোক্‌চা বুলি কয় আৰু লিখিত আৰু মান্যা ভাষাত গামোচা বুলি কয়। গামোচা খনেৰে বিহুৱান দিয়া হয়, কাৰোবাক সন্মান যাচিবলৈ গামোচা দিয়া হয় আৰু গা মচিবলৈ তথা পুৰুষ সকলে পিন্ধিবলৈ গামোছাখন ব্যাৱহাৰ কৰা হয়। ইয়াত মান্যাৰ্থ বা তুচ্ছাৰ্থ বুলি কোনো কথা নাথাকে।

আনহাতে শৰণীয়া-কছাৰী সমাজত গামোচা আৰু মোক্‌চাৰ ব্যৱহাৰৰ ভিন্নতা মনকৰিবলগীয়া। মোক্‌চাখনো প্ৰধানত সেউজীয়া ৰঙৰ হয় যদিও ইয়াত ব্যৱহাৰ কৰা ফুল সাধাৰণতে বেলেগ হয়। কিছুমান মোক্‌চাত ফুল নিদিয়ে যদিও দীঘ-বাণী সেউজীয়া ৰঙৰ দিয়ে আৰু পাৰি বগা ৰঙৰ । আন কিছুমান মোক্‌চাত শৰণীয়া-কছাৰীসকলৰ জাতীয় প্ৰতীক বাঁহ গোসাঁইক সুতাৰে অংকন কৰা হয়।

মোক্‌চাখন সাধাৰণতে গামোচাতকৈ চুটি হয়। আৰু ইয়াক কেবল সন্মানৰ কাৰণেহে ব্যৱহাৰ কৰা হয়। অৰ্থাৎ কোনো ব্যক্তিক সন্মান যাঁচিবলৈ বাঁহ গোসাই প্ৰতীক থকা কাইমা (সেউজীয়া) ৰঙৰ মোক্‌চা দিয়া হয়।

**ধূতি-চুৰিয়া ঃ**

শৰণীয়া-কছাৰী সমাজত দুই প্ৰকাৰে বিয়া অনুষ্ঠিত হয়। বামুণ মাতি পতা বিয়াত সাধৰণতে দৰাজনে বগা ৰঙৰ ধূতি আৰু বগা গেঞ্জি পিন্ধে । আনহাতে দেউৰী মাতি পতা বিয়াত সেউজীয়া ৰঙৰ চুৰিয়া আৰু বগা গেঞ্জি পিন্ধে, ডিঙিত মোক্চা লয়। দৰাজনে মোক্চাখনেৰে পাগুৰি মাৰি লয়। মোক্চাখনেৰে কৰা পাগুৰিটো দৰাজনে কইনাঘৰলৈ যোৱাৰ সময়ত পিন্ধে।

**তেলাচ ঃ**

তেলাচৰ ব্যৱহাৰ শৰণীয়া-কছাৰী সমাজত অতি প্ৰাচীন কালৰে পৰাই হৈ আহিছে। সাধাৰণতে ঠাণ্ডাৰ দিনত উৰিবলৈ এৰী বা কপাহী সুতাৰে তেলাচখন বৈ লয়। তেলাচখনৰ সুতা যিকোনো ৰঙৰ হব পাৰে যদিও বাঁহ গোসাঁই উৎসৱৰ দিনা বাঁহ গোসাঁইক আদৰি আনিবলৈ মাটিত পাৰি দিয়া তেলাচখন সেউজীয়া ৰঙৰ হোৱাটো বাধ্যতামূলক।

**চাঁদৰ-মেখেলা ঃ**

চাঁদৰ-মেখেলা শৰণীয়া-কছাৰী সমাজত প্ৰচলিত অতি প্ৰাচীন আৰু পৰম্পৰাগত বস্ত্ৰ। জনজাতীয় আন মহিলাৰ দৰে শৰণীয়া-কছাৰী সমাজৰ মহিলাসকলৰ মাজত চাঁদৰৰ ব্যৱহাৰ কম । ঘৰুৱা পৰিবেশত মহিলাসকলে মেখেলা আৰু ব্লাউজ পিন্ধে । মেখেলাৰে বুকুত মেথনি মাৰে। বয়সীয়া মহিলাসকলৰ কিছুমানে ব্লাউজ নিপিন্ধে। কেবল মেখেলাৰে বুকুত মেথনি মাৰে। চাঁদৰ-মেখেলাৰ ৰং হিচাপে মহিলাসকলে কাইমা ৰঙকে বেছিকৈ প্ৰাধান্য দিয়া দেখা যায়। মহিলাসকলে যেতিয়া আন দুৰণি ঠাইলৈ চাঁদৰ-মেখেলা পিন্ধি যায় তেতিয়া বুকুত মেথনি নামাৰে। বৰ্তমানে ব্লাউজৰ সৈতে মহিলাসকলে চাঁদৰ-মেখেলা দুয়োটাই পিন্ধে।

ধৰ্মীয় উৎসৱ অনুষ্ঠান অনুসৰি মহিলাসকলৰ সাজপাৰৰ ৰঙৰ ভিন্নতা দেখা যায় । সাধাৰণতে ভকত সেৱাৰ পৰম্পৰা উৎসৱৰ দিনা মহিলাসকলে বগা ৰঙৰ চাঁদৰ-মেখেলা পিন্ধাটো বাধ্যতামূলক। ডিঙিত বাঁহ গোসাঁই প্ৰতীক থকা মোক্চা লয়। ইয়াৰ উপৰিও আন কিছুমান অনুষ্ঠানতো সাজপাৰৰ ভিন্নতা মনকৰিবলগীয়া । উল্লেখযোগ্য যে বাঁহ গোসাঁই উৎসৱৰ দিনা পুৰুষ-মহিলা সকলোৱে সাধাৰণতে পৰিস্কাৰ বস্ত্ৰ পৰিধান কৰে। পুৰুষসকলে ধূতি, গামোচা, বগা গেঞ্জী আৰু বগা চাৰ্ট পিন্ধে। ডিঙিত সেউজীয়া ৰঙৰ মোক্চা লয়। মহিলাসকলেও সেউজীয়া ৰঙৰ ফুল থকা বা পাৰি দিয়া বগা চাঁদৰ-মেখেলা পিন্ধে।

সেউজীয়া ৰঙৰ মোকচা ডিঙিত লোৱাটো বাধ্যতামূলক । সেইদৰে বাটৰ পূজাৰ দিনাও মহিলাসকলে সেউজীয়া ৰঙৰ মেখেলা আৰু সেউজীয়া ৰঙৰ পাৰি দিয়া বা সেউজীয়া ৰঙৰ ফুল থকা বগা চাঁদৰ লয়। মহিলাসকলে ডিঙিত মোক্চা লোৱাটো বাধ্যতামূলক। মাছ মাৰিবলৈ যোৱাৰ সময়তো শৰণীয়া-কছাৰী সমাজৰ মহিলাসকলে সুকীয়া সাজপাৰ পৰিধান কৰে। মহিলাসকলে সেউজীয়া ৰঙৰ মেখেলা বুকুত মেথনি মাৰি লয়। কোনো কোনোৱে ব্লাউজ পিন্ধে আৰু মূৰত গামোচা বা আন যিকোনো কাপোৰ বান্ধি লয় নিজৰ সুবিধাৰ কাৰণে। বিভিন্ন পৰিবেশ, পৰিস্থিতি আৰু প্ৰয়োজনীয়তা আৰু উৎসৱ পাৰ্বন অনুযায়ী পুৰুষ মহিলা উভয়ে ভিন্ন-ভিন্ন সাজপাৰ পৰিধান কৰে। শৰণীয়া কছাৰীসকলৰ সাজপাৰৰ ভিন্নতাই শৰণীয়া কছাৰী সমাজৰ পুৰুষ-মহিলাক এক স্বকীয়তা প্ৰদান কৰিছে। নৃত্য পৰিৱেশনৰ সময়ত শৰণীয়া মহিলাই সাধাৰণতে সেউজীয়া মেখেলা আৰু সেউজীয়া হাতদীঘল ব্লাউজ পৰিধান কৰে আৰু ককালত টঙালী বান্ধে। নৃত্য বিশেষে মূৰত গামোচা আৰু মোক্চা লয়।

অৱশ্যে বৰ্তমান বিশ্বায়নৰ প্ৰভাৱত শৰণীয়া-কছাৰী সমাজৰ সাজপাৰলৈ বহুত পৰিবৰ্তন আহিছে । আজিকালি বেছিভাগ পুৰুষ-মহিলা, ডেকা-গাভৰু, লৰা-ছোৱালী আদিয়ে পৰম্পৰাগত সাজপাৰৰ উপৰিও বিভিন্ন সাজপাৰ পিন্ধে। যেনে লংপেণ্ট, হাফপেণ্ট, হাওৱাইছাৰ্ট, কোট, নেক-টাই, মেক্সি, চুৰিদাৰ, স্কাৰ্ট, টপ আদি। অৱশ্যে ঘৰুৱা সমাজত বা উৎসৱ পাৰ্বন আদিত তেওঁলোকে জাতীয় সাজপাৰ বা আন পৰম্পৰাগত সাজপাৰ পিন্ধে। এনে সাজ-পাৰৰ জৰিয়তে শৰণীয়া-কছাৰী জনগোষ্ঠীটোৱে এক সুকীয়া পৰিচয় দাঙি ধৰাৰ লগতে স্বকীয় সাংস্কৃতিক বৈশিষ্ট্যও অক্ষুন্ন ৰাখিছে।

**অলংকাৰ ঃ**

সাজপাৰৰ দৰে অলংকাৰেও মানুহৰ সৌন্দৰ্যবোধ তথা ৰুচিবোধৰ পৰিচয় দাঙি ধৰে। প্ৰাচীন কালত পুৰুষ-মহিলা সকলোৱে অলংকাৰ পৰিধান কৰিছিল। জনগোষ্ঠীয় পুৰুষ-মহিলাসকলে সহজলভ্য আৰু কম অলংকাৰ পৰিধান কৰিছিল। কিন্তু সময়ৰ লগে লগে পুৰুষসকলৰ মাজত অলংকাৰ পিন্ধাৰ পৰম্পৰা স্তিমিত হৈ আহিল যদিও মহিলাসকলৰ মাজত এতিয়াও অলংকাৰ পিন্ধাৰ পৰম্পৰা বিদ্যমান। অলংকাৰে যে সৌন্দৰ্য বৰ্দ্ধনত একৰ উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে সেই সম্পৰ্কে অসমীয়াত এষাৰি কথা আছে-

নিচুকিয়াই দিলেহে বাৰী

পিন্ধা উৰা কৰিলেহে নাৰী।

শৰণীয়া-কছাৰী সমাজৰ মহিলাসকলে কাণ, নাক, ডিঙি, হাত, ভৰি আদি শৰীৰৰ বিভিন্ন অংগত আ-অলংকাৰ পিন্ধি নিজৰ ৰুচিবোধৰ পৰিচয় দিছিল। মহিলাসকলে সাধাৰণতে কাণত ফুলি আৰু কাণপাচা পিন্ধিছিল। ডিঙিত ৰূপৰ হাৰ, চন্দ্ৰহাৰ, ডুগডুগি আদি পিন্ধিছিল । হাতত গাম খাৰু, বালা আদি পিন্ধিছিল। আগতে শৰণীয়া-কছাৰী সমাজৰ দৰাইও বিয়াৰ দিনা খাৰু পিন্ধিছিল। বিয়াৰ দিনা কইনা গৰাকীক সেন্দূৰ, কাজল বা চুণৰ তিনিটা ফোঁটা দিছিল। সেইদৰে মহিলাসকলে নাকত নাকফুলি, বগৰী ফুলীয়া নাকফুলি পিন্ধিছিল। সোণৰ অলংকাৰৰ প্ৰচলন শৰণীয়া-কছাৰী সমাজত বহুত কম। বাখাৰ বা কালাই থকা অলংকাৰ পিন্ধিছিল।

বৰ্তমান শৰণীয়া-কছাৰী সমাজলৈ অলংকাৰৰ দিশত কিছু পৰিবৰ্তন আহিছে। পুৰণি অলংকাৰসমূহৰ প্ৰচলন আছে যদিও পুৰণি অলংকাৰৰ সংমিশ্ৰণ ঘটাই নতুন অলংকাৰৰ প্ৰচলন হৈছে। ইয়াৰ উপৰিও আজিৰ যুৱতীসকলে নানান ধৰণৰ খাৰু সদৃশ অলংকাৰ পিন্ধে। ব্ৰেচলেট, নানাৰঙী মণি হাতত পিন্ধে। সেইদৰে ডিঙিত আগৰ দৰে জোনবিৰি, দুগদুগি, ঢোলমাদলি আদি পিন্ধে যদিও নানান ডিজাইন থকা মণিও ডিঙিত পিন্ধে । সেইদৰে ভৰিত নূপুৰ পিন্ধে । কোনো যুৱতীয়ে কাণত চাৰি যোৰ মান কান ফুলি পিন্ধাও দেখা যায়। এইদৰে বিশ্বায়নে অলংকাৰলৈও পৰিবৰ্তন আনিছে যদিও পুৰণি অলংকাৰৰ পৰম্পৰা এতিয়াও শৰণীয়া-কছাৰী সমাজৰ মহিলাসকলৰ মাজত আছে।

### ৪.১.১.৫ লোক-ৰন্ধন প্ৰণালী ঃ

খাদ্যও সংস্কৃতিৰ অন্তৰ্ভুক্ত। কিয়নো সংস্কৃতিয়ে সদায় ঐতিহ্য আৰু পৰম্পৰা বহন কৰে । খাদ্য সংগ্ৰহ, ৰন্ধন পদ্ধতি, পৰিবেশন ইত্যাদি সকলোৰে মাজত এক পৰম্পৰা ৰক্ষিত হোৱা দেখা যায়। সাধাৰণতে ভৌগোলিক পৰিবেশ আৰু জলবায়ুৱে সাজপাৰ, লোকাচাৰ, লোক নীতিক প্ৰভাৱান্বিত কৰাৰ দৰে খাদ্যভাসৰ ওপৰতো বিশেষ প্ৰভাৱ বিস্তাৰ কৰে। ভৌগোলিক পৰিবেশ আৰু জলবায়ুৰ ওপৰত ঠাই এখনৰ কৃষি নিৰ্ভৰশীল। জলবায়ু, ভৌগোলিক পৰিবেশ, আৰু কৃষি এটাৰ আনটোৰ লগত সংপৃক্ত । সেইদৰে কৃষিৰ ওপৰত নিৰ্ভৰ কৰিয়েই কোনো এখন ঠাইৰ খাদ্যাভাসৰ প্ৰচলন তথা পৰিবৰ্তন হোৱা দেখা যায়। যিখন ঠাইৰ মাটি যি কৃষিৰ বাবে উপযোগী সেই খেতি বেছিকৈ কৰা হয় আৰু সেই খেতিৰ শস্যই প্ৰধান খাদ্য হিচাপে অধিক পৰিমাণে প্ৰচলন হোৱা দেখা যায়। সাৰুৱা কৃষি ভূমিৰ কাৰণে অসম তথা উত্তৰ পূৰ্বাঞ্চলত যিকোনো শস্যৰ বীজ অতি সহজে গজি উঠে । অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ

লোকসকলে সাধাৰণতে মছলাযুক্ত খাদ্যক অধিক পছন্দ নকৰে। সকলো খাদ্যই সিজাই বা সিদ্ধ কৰি খাই ভাল পায়। আনকি মাছ মাংসও সিদ্ধ কৰিহে খোৱাটো পছন্দ কৰে। অৱশ্যে এতিয়া কিছু পৰিমাণে কোনো কোনো জনগোষ্ঠীৰ মাজত এই খাদ্যভাসৰ পৰিবৰ্তন হোৱা দেখা যায়। অসমৰ হাবি বননিত পোৱা খাদ্য শস্যসমূহৰ প্ৰায়ভাগৰে ঔষধি গুণ আছে। সেয়ে জনগোষ্ঠীসমূহে অসমৰ তথা উত্তৰ পূৰ্বাঞ্চলৰ হাবি বননিত যিমান গছ গছনিৰ পাত, ফল-মূল আছে তাৰে বেছিভাগে খাদ্য হিচাপে গ্ৰহণ কৰে। খাদ্য তালিকাত অন্তৰ্ভুক্ত হোৱা উপাদান সমূহৰ বেছিভাগে বিভিন্ন বেমাৰৰ প্ৰতিষেধক হিচাপে কাম কৰে। শৰণীয়া-কছাৰীসকলৰ খাদ্যভাসৰ বিষয়ে চকু দিলেই গম পোৱা যায় যে অসমৰ অন্য জনজাতীয় জনগোষ্ঠীৰ খাদ্য সংস্কৃতিৰ লগত শৰণীয়া-কছাৰীসকলৰ খাদ্য সংস্কৃতিৰ বহুখিনি সাদৃশ্য আছে। অৱশ্যে তাৰ মাজতে কিছু-কিছু স্বকীয়তা পৰিলক্ষিত হয়।

তলত শৰণীয়া-কছাৰীসকলৰ খাদ্য-সংস্কৃতি সম্পৰ্কে চমুকৈ আলোচনা কৰা হ'ল। শৰণীয়া-কছাৰীসকলৰ আহাৰক প্ৰধানত দুটা ভাগত ভগাব পাৰি --

- মুখ্য আহাৰ বা প্ৰধান আহাৰ বা গুৰু আহাৰ
- গৌণ আহাৰ বা লঘু আহাৰ।

শৰণীয়া-কছাৰীসকলৰ প্ৰধান আহাৰ বা মুখ্য আহাৰ হৈছে ভাত । ভাত তিনি প্ৰকাৰে খোৱা দেখা যায়।

- গৰম ভাত - যিটো ভাত গৰমে গৰমে খোৱা হয়।
- কৰ্কৰা বা জকৰা ভাত - ৰাতিপুৱা ৰান্ধি আবেলি বা ৰাতি সেই ভাতখিনি খালে তাক জকৰা বা কৰ্কৰা ভাত কয়।
- পইতা বা পন্তা ভাত - ৰাতিপুৱা ৰন্ধা ভাতখিনি পানী দি থৈ ৰাতি বা পিছদিনা খালে তাক পইতা বা পন্তা ভাত বুলি কয়।

সাধৰণতে ভাতসমুহ বিভিন্ন ব্যঞ্জনৰ লগত খোৱা হয়। ভাতৰ লগত খোৱা ব্যঞ্জনসমূহক বিভিন্ন ভাগত ভগাব পাৰি --

**নিৰামিষ ব্যঞ্জন ঃ**

বনৰীয়া শাক পাচলিৰ পৰা কৰা আঞ্জাসমূহক প্ৰধানকৈ নিৰামিষ ব্যঞ্জনৰ শাৰীত অৰ্ন্তভুক্ত কৰিব পাৰি। শৰণীয়া-কছাৰীসকলে শাক - পাচলিৰ বিভিন্ন আঞ্জাৰে বৰ জুতি লগাকৈ ৰান্ধি খায়। শাক পাচলিবোৰত বহুত ঔষধি গুণ জড়িত হৈ থাকে। সেয়েহে জনজাতি লোকসকলে পৰ্যাপ্ত পৰিমাণে শাক

পাচলি কেচাই আৰু সিজাই খায়।

**মাটি মাহৰ আঞ্জা ঃ**

মাটি মাহৰ দালিত খাৰ দি আদা নহৰু আদি মছলা দি ৰন্ধা আঞ্জাখন শৰণীয়া-কছাৰীসকলৰ বৰ প্ৰিয় । সেইদৰে ছিঙি অনা কেচা মাহগুটি উলিয়াই আলুৰ সৈতে ৰান্ধি খায় ভাল পায়।

**কচুৰ আঞ্জা ঃ**

কচুৰ কুমলীয়া পাত (থোৰ) জাবৰাং, জলকীয়া আৰু খাৰ দিলে আঞ্জাখন সোৱাদ লগা হয়। কচুৰ ঠেং চুটি চুটিকৈ কাটি অলপ ৰ'দত শুকাই ভাজি খাবলৈ ভাল পায় শৰণীয়া-কছাৰীসকলে। ইয়াৰ উপৰিও দহি কচুৰ ঠোৰ খাৰৰ আঞ্জাৰ লগত ৰঙালাওৰ আগ দিও আঞ্জা কৰি খায়।

**মৰাপাটৰ আঞ্জা ঃ**

মৰাপাটৰ আঞ্জা শৰণীয়া-কছাৰীসকলৰ বৰ প্ৰিয়। চ'ত ব'হাগ মাহত মৰাপাট খোৱাটো অপৰিহাৰ্য। মৰাপাটে কৃমি নাশ কৰে । সেয়ে মৰাপাটৰ প্ৰয়োজনীয়তা অধিক।

চ'তত কৰে যিয়ে পটা
সিহে বাপেকৰ বেটা।

মৰাপাট শুকালে শুকোতা হয়। শুকোতা বহুত লোকে পানীত তিয়াই লৈ চেপি তেল, পিয়াজ জলকীয়া দি খায়। ই কৃমিৰ বাবেও মহৌষধ। মৰাপাটৰ উপকাৰিতা সম্পৰ্কে ডাকৰ বচনতো আছে -

জেঠত দৈ আহাৰত খৈ
শাওনত মৰাপাট খাবা গৈ।

**চোৰাতৰ আঞ্জা ঃ**

চোৰাতৰ ফুল আৰু কুমলীয়া পাত পিঠাগুৰিৰ লগত একলগ কৰি আঞ্জা কৰি খায়। শৰণীয়া-কছাৰীসকলে চোৰাতক তন্‌চা বুলি কয়।

**বাহ্‌ৰ গাজৰ আঞ্জা ঃ**

শৰণীয়া-কছাৰীসকলৰ মাজত বাহ্‌ৰ গাজাৰ আঞ্জাৰো জনপ্ৰিয়তা অধিক । কোমল গজালি সৰু সৰু কৈ কুটি মাটি মাহ্‌ৰ লগত কলাখাৰ দি ৰান্ধি খায়।

**খাৰৰ আঞ্জা ঃ**

শৰণীয়া-কছাৰীসকলে পানী লাউ, ৰঙালাউ, পচা কোমোৰা, মূলা আদি পাচলি খাৰ দি আঞ্জা কৰি খায়।

**চজিনাৰ ফুল আৰু পাতৰ আঞ্জা ঃ**

চজিনাই পুষ্টিহীনতা দূৰ কৰে লগতে বসন্ত ৰোগ নাশ কৰে। চজিনাৰ কুহিপাত বেচন দি ভাজি খায়। ফুল আৰু ছজিনা ভাজি খাই বা সৰিয়হ, নহৰু আদা দি চৰ্চৰি কৰি খায়। ইয়াৰ উপৰিও টেঙা আৰু তিতাৰ আঞ্জাও শৰণীয়া-কছাৰীসকলৰ মাজত অধিক জনপ্ৰিয়।

**অমিতাৰ পাত আৰু ফুলৰ আঞ্জা ঃ**

শৰণীয়া-কছাৰীসকলে অমিতাৰ ফুলবোৰ চিঙি আনি নহৰু পিয়াঁজ দি ভাজি খায় । তিতা সোৱাদৰ কাৰণে ক্ৰিমিৰ প্ৰতিৰোধৰ কাৰণে ভাল মহৌষধ । ইয়াৰ উপৰিও অমিতাৰ পাত পিঠাগুৰি একেলগে খুন্দি উতলা পানীত বহাই দি জোল কৰি খায়।

**আমিষ ব্যঞ্জন ঃ**

শৰণীয়া-কছাৰীসকলৰ মাজত প্ৰচলিত আমিষ ব্যঞ্জনক আকৌ কেইবাটাও ভাগত ভাগ কৰিব পাৰি । এই আমিষ ব্যঞ্জনসমূহ বিভিন্ন প্ৰকাৰে ৰন্ধা হয়।

**মাছৰ আঞ্জা ঃ**

মাছৰ আঞ্জা শৰণীয়া-কছাৰীসকলৰ মাজত বৰ প্ৰিয়। মাছ বিশেষকৈ সমুহীয়াভাবে মাৰি খায় । অতিৰিক্ত মাছখিনি শুকাই থৈ পিছত সময়ে-সময়ে উলিয়াই খায়। মাছ বিভিন্ন উপাদানৰ লগত বিভিন্ন জুতিৰে ৰন্ধা হয়। থেকেৰা, কোমোৰা, মুলা আদি চকলীয়াই ৰ'দত শুকুৱাই বাঁহৰ চুঙা বা টেকেলিত

সাঁফৰ মাৰি ভৰাই থৈ প্ৰয়োজনত শুকান মাছেৰে খাৰ দি আঞ্জা ৰান্ধি খায়। কেতিয়াবা আকৌ কল পচলা আৰু বাঁহৰ গাজা মিহিকৈ কুটি তাৰ লগত সৰু মাছ জলকীয়া দি খায় । সেইদৰে মৰাপাট (শুকোতা) আৰু মেষ্টা শাক শুকুৱাই বস্তা বা মোনাত ভৰাই থৈ সময়ত শুকান মাছেৰে আঞ্জা বনাই খায়। সৰু সুৰা পুঠি, দৰিকণা, ভেচা, চেং, গৰৈ, বুটিয়া মাছবোৰ কলপাতেৰে টোপোলা কৰি লগত নিমখ, হালধি, জলকীয়া মিহলাই ধান খেৰৰ জুইত 'পাতাও' দি সিজাই পৰম তৃপ্তিৰে খায়। গৰৈ মাছ পোৰা শৰণীয়া-কছাৰীসকলৰ প্ৰিয় চাট্‌নি। সেইদৰে খাৰ দিয়া মাহৰ দাইলত শুকান মাছ পেলাই দি খাই ভাল পায়। বাম্বোল পিটা গীততো মাহৰ দাইলৰ জনপ্ৰিয়তা সম্পৰ্কে উল্লেখ আছে --

হালধীয়া চৰাইয়ে বাওধান খায়
সাউদৰ পুতেকে নাও মেলি যায়।
নাৰে কৰে টুলুং ভুতুং বঠাই কৰে হেলা
সাতখন নদী পাৰ হৈ শহুৰ থেক গলা
শাউহাৰে ৰান্ছিল মাহৰ দালি বৰস'দ পালা।

গতিকে মাহৰ দালিৰ খাৰৰ লগত শুকান মাছ দিয়া খাদ্য, তেওঁলোকৰ যে অতি প্ৰিয় সেইকথা গম পোৱা যায়। শৰণীয়া-কছাৰীসকলৰ পাতত দিয়া মাছ আৰু কচুৰ থোৰৰ ব্যঞ্জনখন বৰ ৰুচিকৰ হয়। সেইদৰে কাৱৈ মাছেৰে ৰন্ধা পালেং শাকৰ আঞ্জা, আমৰাৰে ৰন্ধা গৰৈ মাছৰ জোল অথবা ভেদাই লতা দি ৰন্ধা মাগুৰ বা কাৱৈ মাছৰ জোলখন, কঠাল গুটি আৰু টেঙা দি ৰন্ধা কচুৰ টেঙাৰ জোলখন, শুকান মাছেৰে ৰন্ধা কচু পেটাৰ আঞ্জাখন বৰ তৃপ্তি দায়ক। সেই কচুৰ থোৰ আৰু সৰু মাছ কলপাতেৰে মেৰিয়াই জুইত সেকি প্ৰস্তুত কৰা খাদ্য বিধ পাহৰিব নোৱাৰা বিধৰ। শৰণীয়া-কছাৰীসকলে মাছ ধোৱা চাঙত শুকুৱাই সংৰক্ষণ কৰি থয়। শুকান মাছৰ গুৰি, খাৰ আৰু ঢেকীত খুন্দা কচুৰ ডাল মিহলাই চকা চকাকৈ ৰ'দত শুকুৱাই সিন্দল মাছ নামৰ এবিধ খাদ্য প্ৰস্তুত কৰা হয়। সিন্দল মাছ ভবিষ্যতৰ বাবে বাহৰ চুঙা বা টেকেলীত ভৰাই থোৱা হয়। চোৱাতৰ ফুল বা কুমলীয়া পাত মাছেৰে পিঠাগুৰি দি ৰান্ধি খায়। বাহৰ কোমল গজালি সৰু সৰু কৈ কুটি পোনামাছৰ সৈতে পিঠাগুড়ি দি আঞ্জা ৰান্ধি খায়। এনেদৰে বিভিন্ন উপাদানৰ লগত মাছ দি শৰণীয়া-কছাৰীসকলে বৰ তৃপ্তি দায়ক আঞ্জা বনায়। মাছৰ দৰে মাংসৰ আঞ্জাৰ ব্যৱহাৰ আৰু জনপ্ৰিয়তাও শৰণীয়া-কছাৰীসকলৰ মাজতঅধিক। অৱশ্যে মাছ আৰু মাংস বিভিন্ন উপাদানৰ লগত বনালেও তেওঁলোকে বনোৱা সকলো আঞ্জাতে মছলাৰ ব্যৱহাৰ কম ; যাৰ বাবে আঞ্জাসমূহ স্বাস্থ্য সন্মত হয়।

**মাংসৰ আঞ্জা ঃ**

শৰণীয়া-কছাৰীৰ লোকসকলে বেছিভাগ খাদ্য সিজাই খাই ভাল পায়। মাছ মাংসত কেতিয়াবা আদা, জলকীয়া, নৰসিংহ আদি দি সিজাই খায় । শৰণীয়া-কছাৰী মহিলাই পকা বা পূৰঠ কোমোৰাৰে ৰন্ধা আঞ্জাখন বৰ ৰুচিকাৰক। মাংসৰ ভিতৰত বনৰীয়া গাহৰি, শহা, ডাউক, তৰিক, দেওঁহাহ, নেউল, কোটলা পহু, শৰালি , ঘিলা হাঁহ, কাম চৰাই, হাইঠা, কপৌ, শৰপহু আদি খায়।

ভীম কলৰ ডিলৰ স'তে পাৰ মাংসৰ জোলখন বৰ তৃপ্তি পূৰ্ণ। কেতিয়াবা আকৌ ভীমকলৰ পচলাৰ লগত বনৰীয়া চৰাই ডাউক, কণামুচুৰি, কপৌ, হাইতাল, শালিকা আদি ৰান্ধি শৰণীয়া-কছাৰীসকলে বৰ তৃপ্তিৰে খায়। মেস্তা টেঙাৰে শৰণীয়া-কছাৰীসকলে কেঁকোৰাৰ মাংসও বনায়। গাহৰিৰ মাংসও শৰণীয়া-কছাৰীসকলৰ মাজত বৰ জনপ্ৰিয় । ভীমকলৰ পচলা সৰু সৰুকৈ কাটি গাহৰিৰ চৰ্বীৰে খৰকৈ ভাজিলে বৰ সোৱাদ লগা হয়। শৰণীয়া-কছাৰীসকলে মাংস ধোৱা চাঙত শুকুৱাই সংৰক্ষণ কৰি থয়। তেওঁলোকে পাৰ, গাহৰিৰ উপৰিও হাঁহ মুৰ্গী আদিৰ মাংস খায়। গাহৰি, মুৰ্গী, হাঁহ আদি মাংসৰ লগত লাইশাকৰ পিঠাগুৰি দি আঞ্জা বনাই খায়। সেইদৰে চোৱাতৰ ফুল আৰু পাতৰ লগত মাংস আৰু পিঠাগুৰি দি বৰ সোৱাদ লগাকৈ বনায়। ভেদাইলতা পাতৰ সৈতে মুৰ্গীৰ মাংস আৰু পচলাৰ লগত গাহৰি মাংস মজি যোৱাকৈ ভাজি জুতি লগাকৈ শৰণীয়া-কছাৰীসকলে খায়।

ইয়াৰ উপৰিও মাটি মাহৰ লগত মূৰ্গী বা গাহৰিৰ মাংস, বগা কোমোৰাৰ লগত হাঁহৰ মাংস দিও সোৱাদ লগা আঞ্জা বনায়। উৰুকাৰ দিনা গাহৰিৰ তেলেৰে তেলপিঠা বনোৱাটো এটা পৰম্পৰা । যিটো পৰম্পৰা শৰণীয়া-কছাৰী সমাজত এতিয়াও চলি আহিছে ।

**পোক-পৰুৱাৰ আঞ্জা ঃ**

জনজাতীয় সমাজৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য হ'ল পোক-পৰুৱা ভক্ষণ। পোক-পৰুৱাক আঞ্জা হিচাপে খোৱাটো জনজাতীয় সমাজৰ এক উল্লেখযোগ্য বৈশিষ্ট্য ।এই বৈশিষ্ট্যটো শৰণীয়া-কছাৰীসকলৰ মাজতো দেখা যায়।

শৰণীয়া-কছাৰীসকলৰ মাজত পোক-পৰুৱাৰ ব্যঞ্জন অতি প্ৰিয় । অতীতৰে পৰাই শৰণীয়া-কছাৰীসকলে পোক-পৰুৱাক খাদ্য হিচাপে ব্যৱহাৰ কৰি আহিছে । পৃথিবীৰ পৰিবেশ তন্ত্ৰত পোক-পতঙ্গই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে । শৰণীয়া-কছাৰীসকলে প্ৰধানত জুই আঙঠা বৰল, খুদী বৰল, নভৰীয়া বৰল , ঢেকেসি বৰল, দিন কনা বৰল,সেন্দুৰ গাতটুৰা বৰল, জাকৈ বুৰী, বাৰেপোকা,

কাঠ পোকা  উঁইচিৰিঙা, কলপোকা, হালোৱা ফৰিং উই বা বাদল, ঘুণ পোকা, চাও পোকা, আমৰলি পোক, জোকাই পোক, এৰাপলু, শামুক, কেকোৰা আদি খায়। এই  পোক-পৰুৱাসমূহ তেওঁলোকে বিভিন্ন ধৰণে ভাজি খাই বা ৰান্ধি খায়। পোক-পৰুৱাৰ ব্যাঞ্জনৰ জনপ্ৰিয়তা কিমান সেই কথাৰ অনুমান তেওঁলোকৰ মাজত প্ৰচলিত গীতৰ মাজেৰে অনুমান কৰিব পাৰি। উদাহৰণ স্বৰূপে --

খালেৰ দল লৌ বান্ধি
জাখেই লৌ ভাল কুৰি
ঐ আইহত জাখেই লৌ ভালকুৰি
মাছ ককৰা জাখৈ পোকা খোৱা যদি
আহ ঐ দাউৰি দাউৰি
আহ আইহঁত দাউৰি দাউৰি।

**সাজপানী (চেৰেপ্) ঃ**

শৰণীয়া-কছাৰীসকলৰ মাজত প্ৰচলিত আন এটি জনপ্ৰিয় খাদ্য হৈছে সাজপানী। অন্যান্য জনগোষ্ঠীৰ নিচিনাকৈ শৰণীয়া-কছাৰী জনগোষ্ঠীৰ মাজত সাজপানী জাতীয় পানীয় হিচাপে ব্যৱহাৰ হৈ অহা নাই যদিও ইয়াৰ গুৰুত্ব শৰণীয়া সমাজত কম নহয়। শৰণীয়া-কছাৰী সমাজে পালন কৰা সকলোবোৰ উৎসৱ পাৰ্বনত সাজপানীৰ ব্যৱহাৰ নহয় যদিও দুই এটি উৎসৱ-পাৰ্বনত মদৰ বা পানীয় দ্ৰব্য বিধৰ প্ৰয়োজন অপৰিহাৰ্য। উল্লেখযোগ্য যে বিভিন্ন উৎসৱ-পাৰ্বনৰ প্ৰতিটোতে সাজপানীৰ ব্যৱহাৰ নহয় যদিও শৰণীয়া-কছাৰীসকলৰ প্ৰায় প্ৰতি ঘৰে ঘৰে এই বিধ পানীয় বনোৱা হয় নিজৰ প্ৰয়োজনত।

শৰণীয়া-কছাৰীসকলে সাধাৰণতে সাজপানীক চেৰেপ্ বুলি কয়। এই চেৰেপ্ৰ ব্যৱহাৰ ভকত সেৱাত বা ভকত পূজাত অপৰিহাৰ্য্য। ভকত সেৱা বা ভকত পূজাৰ বাহিৰেও আন কিছুমান ধৰ্মীয় অনুষ্ঠানত এই  চেৰেপ্ৰ ব্যৱহাৰ কৰা হয়। এই পানীয় দ্ৰব্যবিধ প্ৰস্তুত কৰিবলৈ যিবোৰ উপকৰণৰ প্ৰয়োজন সেইবোৰ উপকৰণৰ কিছু সংখ্যক আন জনজাতীয় জনগোষ্ঠীৰ সাজপানী তৈয়াৰ কৰাৰ ক্ষেত্ৰতো প্ৰয়োজন হয়।

এই চেৰেপ্ সাধাৰণতে বৰা চাউল, আলাচাউল বা শালি ধানৰ চাউলৰ পৰা তৈয়াৰ কৰা হয়। বন্নি চাউলৰ পৰা তৈয়াৰ কৰা খিনিক বন্নি মেৰা বোলে। ভকতীয়া সকলে এই চেৰেপ্ক কেচাঁৰস বোলে। এই পানীয়বিধ তৈয়াৰ কৰাৰ কাৰণে শৰণীয়া-কছাৰীসকলে ঘৰতে সুৰোচি তৈয়াৰ কৰি লয়। সুৰোচিক বাখাৰ

বুলিও কয় শৰণীয়া সমাজে। এই বাখাৰ এক কিলোগ্ৰাম চাউলৰ গুৰিৰ লগত আনাৰসৰ পাত আধাপোৱা মান, ভেটেই গছৰ কোমল পাত বা ফুল আধা পোৱা মান, কঠাঁলৰ পাত আধাপোৱা মান লগতে পুৰণি বাখাৰ দুটা মিহলাই দিয়ে। বাখাৰ বনোৱা চাউলখিনি অনুমান কৰি তিনিঘণ্টা মান পানীত তিয়াই থ'ব লাগে। তাৰ পিছত পানীৰ পৰা তুলি চাউলৰ লগত এই বনৰীয়া পাত লতাবোৰ ঢেকীত খুন্দি গুৰা কৰি লাৰু বনাই ৰদত শুকাব দিব লাগে। এই লাৰুবোৰ ডাঙৰ চালনি এখনত খেৰেৰে ঢাকি থৈ ভাপতে শুকাব দিয়া হয়। এনেদৰে চাৰি ৰাতি মান ৰখাৰ পিছত ই সম্পূৰ্ণ হৈ উঠে। বিশেষকৈ এই চেৰেপ বনাবালৈ আৰৈ চাউল বা অকাৰী চাউলৰ আৱশ্যক হয়। যদি এক কলহ মদ বনাবলগীয়া হয় তিনি কিলো চাউলৰ আৱশ্যক হয়। চেৰেপ তৈয়াৰ কৰিবলৈ সিজোৱা ভাতখিনি এখন ডলাত গৰমে গৰমে থৈ বাখৰ লাডুটো গুৰি কৰি ভাতত ভালকৈ সানি দিয়া হয়। ভাতত বাখৰ সনাৰ পিছত এক ৰাতি ডলাত থোৱা হয়। পিছদিনা কলহত ভাত ভৰাই থোৱাৰ পিছত কলহৰ মুখত এটা আঙ্‌ঠা দি থোৱা হয়। এনেদৰে তিনিদিন মান যোৱাৰ পিছত সেই মদ খাব পৰা হয়।

আলোচনাৰ অন্তত এটা কথা ক'ব পাৰি যে অন্য জনজাতীয় জনগোষ্ঠীৰ মাজত যেনেদৰে সাজপানীৰ বহুল প্ৰচলন আছে, ঠিক তেনেদৰে শৰণীয়া-কছাৰী জনগোষ্ঠীৰ মাজতো সাজপানী বা মদৰ বহুল প্ৰচলন আছে।